চান্দমামা

জুন ১৯৮৮



টম্মী-দ্দি, টাকাৰ

"অলপ সময় লৈ ভাবি-চিন্তি আজি
তবে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি !"

— ফেভি ফেইৰী





লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ…ফেভিকল এম-আৰ !
আমোদেই মাথো নহয়
হাত বহি গৈ শেষত হবগৈ
এজনা ডাঙৰ যন্ত্ৰবিদ ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা ।
ঘৰ, দুৱাৰ, হাতী, ঘোৰা, বাঘ
আৰু কত'যে কি !
ঘৰ, আলমাৰী, চকী-মেজ য'তেই লগোৱা
জোৰা হয় বজ্ৰ কঠিন
টিকেও বহু বেছি দিন !
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ !

এম-আৰ
ফেভিকল
চিন্থেটিক এধেছিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তু হৈই জোৰা দিব লাগে !

® দুয়ো ' আৰু **ফেভিকল** ব্ৰাণ্ড হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰা. লি., বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক ।

টম্মী-দি টাকাৰ ধাপে ধাপে কেনেকৈ সাজিব পাৰি, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত : "ফেভি ফেইৰী" পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩ ।

নাম : ____________________

বয়স : ____________________

ঠিকনা : ____________________

____

চহৰ : ____________________

ৰাজ্য : __________ পিন : __________

OBM/2732/ASM

তোমাৰ মাহেকীয়া জাৰ্নেল ফেভিক্ৰাফট পালানে ? হয় ☐ নহয় ☐

Now from Lion Pencils, here's another Novelty...
the Pearl finished **LION PINKY** pencil, a pretty pencil to behold.
Superb in looks, super smooth in writing with its HB Lead
strongly bonded to give you unbreakable points.

Also available with rubber tip and hexagonal

Other popular brands of Lion Pencils are:

Lion **MOTO**, Lion **TURBO**, Lion **SWEETY**, Lion **CONCORD**,
Lion Hi-Tech **METALLIC**, Lion **MASH-HOOR**, Lion **EXECUTIVE**,
Lion **NOVELTY**, Lion **GEEMATIC** Drawing Pencils
and **RATTAN** Colour Pencils & Wax Crayons.

LION PENCILS PVT. LTD. 95 Parijat, Marine Drive, Bombay 400 002.

National-407

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

So much in store, month after month.

everest/88/RHL/81 as

ৰেনুৰ হয় দুগু সখীহঁতৰ লগত
তাই সদায় হব গুৰি কিহৰনো বলত
নিজেই খেলিব এনে এক খেল
তাকে দেখি সখীহঁতে কৰিব মেল!
ৰঙীন এক' স্কেচ পেন লৈ
আঁকিলে পুতলা লৰালৰিকৈ
দুগু-খৰিয়াল পাহৰি গৈ
সখীহঁতো আহিল খৰখেদাকৈ!
হালধীয়া,কমলা,বেঙুনীয়া, ক'লা,
গুলপীয়া, ভায়োলেট,বাদামী,ৰঙা,
সেউজীয়া,নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!



এক'

স্কেচ পেন ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!

প্ৰিচিশ্যন ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ ১৮, সুভাষ ৰোদ, ভিলে পাৰ্লে (পূব) বোম্বাই-৪০০ ০৫৭

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

ফটো-নামকৰণ প্ৰতিযোগিতাৰ নিয়মাৱলী

চান্দমামাৰ ফটো-নামকৰণ প্ৰতিযোগিতালৈ যোগদান কৰিবলৈ হ'লে নিম্নলিখিত নিয়মসমূহ পালন কৰিব লাগিব : (১) কেৱল প'স্টকাৰ্ডত লিখিব লাগিব ; (২) প্ৰতিযোগীয়ে নিজৰ হস্তাক্ষৰেৰে লিখিব লাগিব ; (৩) প্ৰতিযোগীৰ বয়সৰ উল্লেখ থাকিব লাগিব ; (৪) কোন সংখ্যাৰ বাবে প্ৰতিযোগিতা তাৰ উল্লেখ থাকিব লাগিব ; (৫) সম্পূৰ্ণ ঠিকনা অসমীয়াত বা ইংৰাজীত লিখিব লাগিব। এই প্ৰতিযোগিতাৰ বিষয়ে ব্যক্তিগত যোগাযোগ কৰা নহয়।

অমৰ-বাণী

ভৰন্ত্যপি নিষ্ফলৈৰ ধনৰ্ধিৰ্ভৰতি কৃপণ পুৰুষস্য।
গ্ৰীষ্মাতপ সন্তপ্তস্য নিজকচ্ছায়েৰ পথিকস্য॥

[গ্ৰীষ্মকালত ৰ'দৰ মাজেদি গৈ থকা বাটৰুৱাৰ নিজৰ ছাঁৰে যেনেকৈ তেওঁৰ কোনো উপকাৰ নহয়, তেনেকৈ, কৃপণৰ সঞ্চিত ধনেৰেও তাৰ কোনো উপকাৰ নহয়।]

বছৰ : ১৩ জুন ১৯৮৮ সংখ্যা : ৩

খনে : ২'৫০ টকা : : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা


Twinkle, twinkle little Gems,
How I wonder what's in them
Up above the world so high,
Like little diamonds in the sky
Cadbury's GEMS
Cadbury's GEMS
Fun to play with, fun to eat.

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

শান্তিৰ বাবে শাস্তি হ'বনে…?

জীয়াই থকাৰ বাবে বহুতো কিবাকিবি লাগে এই পৃথিৱীৰ মানুহক। কিন্তু পৃথিৱীৰ অযুত-নিযুত মানুহক বিশেষভাৱে এটি বস্তু লাগে—সেয়া হ'ল শান্তি। মানুহৰ এই শান্তিৰ বাবে ছোভিয়েতদেশলৈ আৰু আমেৰিকালৈ ২৫০০০০ তকৈয়ো অধিক পত্ৰ প্ৰেৰণ কৰা হৈছে মাথোন নিৰস্ত্ৰীকৰণৰ আবেদন জনাই!

চেনি-কুঠি নহয়, চেনি-কাঠি!

কুৱালা লামপুৰৰ এখন হোটেলত কাম কৰা ৰিচাৰ্ডে ৪৮ কিলোগ্ৰাম চেনিৰে এডাল কাঠি বনালে। এই কাঠিডালৰ উচ্চতা ২'৪৩ মিটৰ। এই কাঠিডাল বনাওঁতে ৰিচাৰ্ডে ৮০ ঘন্টা সময় লৈছিল!

যুদ্ধযাত্ৰা নহয়, যৌথযাত্ৰা!

যৌথ উদ্যোগেৰে ছোভিয়েত-দেশ আৰু আমেৰিকাই মহাকাশ তথা গ্ৰহ পৰিক্ৰমাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এই পৰিকল্পনাক কাৰ্য্য-কৰী কৰি তুলিবলৈ মিখাইল গৰ্বাচ্যভে গভীৰ আগ্ৰহ প্ৰকাশ কৰিছে। সম্ভৱতে আমেৰিকাৰ হোৱাইট হাউছত এই বিষয়ে এখন সন্মিলন পতা হৈছিল।



বগা বিনিময়!

ভুবনেশ্বৰত থকা নন্দনকানন চিৰিয়াখানা নন্দনকাননত সম্ভৱতে টেক্সাছৰপৰা দুটা চিম্পাঞ্জী, এটা বেবুন, তিনিটা বান্দৰ, তিনিটা মাৰমোষ্ট বান্দৰ, দুটা কেংগাৰু অনা হৈছে আৰু অহা দুমাহৰ ভিতৰত আন তেৰটা জন্তুও অনা হ'ব। এইবোৰৰ বিনিময়ত এহাল বগা বাঘ টেক্সাছলৈ পঠোৱা হ'ব!

শিল্পী আৰু শিল্প

পূৰব নামৰ এজন চিত্ৰশিল্পীয়ে অৰ্থাভাৱৰ কাৰণে তেওঁৰ অঁকা শ্ৰেষ্ঠ চিত্ৰ বিক্ৰিৰ চেষ্টা কৰিও সমূলি ব্যৰ্থ হ'ল। দহ টকাতকৈ বেছি দাম কোনেও নিদিয়া হ'ল।

পূৰবৰপৰা এই কথা শুনি তেওঁৰ ব্যৱসায়ী বন্ধু গৌৰৱে পূৰবৰ সেই শ্ৰেষ্ঠ চিত্ৰশিল্প দহোৰাইজে চাব পৰাকৈ এঠাইত ওলোমাই থ'লে। তাৰ পাছত গৌৰৱে প্ৰচাৰ কৰিলে যে এই চিত্ৰখন এগৰাকী বিদেশী শিল্পীয়ে অঁকা আৰু চিত্ৰখন তেওঁ নিজে পাঁচশ টকাৰে কিনি অনা বুলি ক'লে। কোনোবাই কিনিবলৈ আগ্ৰহী হ'লেও গৌৰৱে চিত্ৰখন নেবেচা হ'ল।

কিছুদিনৰ অন্তত চিত্ৰখনৰ সম্পৰ্কে বহু সংখ্যক ধনী ব্যক্তি আগ্ৰহী হৈ উঠিল। আৰু— এদিন চুবুৰীয়া গাঁৱৰ জমিদাৰ ডাঙৰীয়াই পোনে পোনেই গৌৰৱৰ হাতত পাঁচহেজাৰ টকা দিলে আৰু চিত্ৰখন তেতিয়াই নিজৰ গাড়ীত উঠাই ল'লে। তেওঁ গৌৰৱক ক'লে যে— এই চিত্ৰখন এতিয়া তেওঁৰ মান-সন্মানৰ প্ৰতীক।

গৌৰৱে পূৰবক টকা পাঁচহেজাৰ দিয়াত পূৰৱে অবাক বিস্ময়েৰে কৈ উঠিল, "কথানো কি? ইমান টকা— !"

গৌৰৱে ক'লে, "শুনা বন্ধু, চিত্ৰাংকণ এক অতি সুন্দৰ শিল্প, সেই কথা নিঃসন্দেহে ঠিক। কিন্তু সেই শিল্পক যথাযোগ্য সন্মানজনকভাৱে বেচাটোও এক সমান সুন্দৰ শিল্প।"



ধানখেৰৰ জুই

তেতিয়াৰ দিনত ফৰাছি দেশৰ এগৰাকী মহাৰাণী আছিল তন্ত্ৰ-মন্ত্ৰত বিশ্বাসী তথা জ্ঞানী। তেওঁ শ্বেত পাথৰেৰে সজোৱা অট্টালিকাত বাস কৰিছিল। এই অট্টালিকাৰ চাল আছিল ৰূপ-খতোৱা আৰু দেৱাল-বিলাক সোণ-খতোৱা। আৰু এই সোণ-খতোৱা দেৱালতে লিখা আছিল মন্ত্ৰবোৰ। মহাৰাণীয়ে যেতিয়াই যি ইচ্ছা, ভবা মাত্ৰকে পাই গৈছিল, যি কাম কৰিবলৈ মন গৈছিল, তৎক্ষণাৎ কৰিব পাৰিছিল।

কিন্তু এটা বিষয়ত মহাৰাণী আছিল অক্ষম। তেওঁ মন কৰিলেই তেওঁৰ হেৰোৱা যৌৱন ঘূৰাই পাব নোৱাৰিছিল।

মহাৰাণী তেওঁৰ গাভৰু কালত আছিল চালে চকুৰোৱা বিধৰ। কিন্তু বুঢ়ী বয়সত তেওঁ দেখাত হৈ পৰিল অগঢ়ী। তেওঁৰ ওচৰলৈ বিভিন্ন কামত অহা মানুহখিনিয়ে তেওঁলৈ আৰু ঘূৰিও চোৱা নাছিল।

তেওঁ নিজেও আনকি দাপোণৰ আগতো থিয় নহৈছিল। তেওঁৰ এটা চকু হৈ পৰিছিল দৃষ্টিহীন। মহাৰাণীয়ে আন কোনো **সুন্দৰী** মহিলাৰ সৈতে আনকি মাত-বোলো নকৰিছিল। দেখাত তেওঁতকৈ ভাল—কোনো মহিলাকে মহাৰাণীয়ে তেওঁৰ কাষ চাপিবলৈকো নিদিছিল।

কিন্তু তথাপি এদিন ধুনীয়াৰো ধুনীয়া যোল-সোতৰ বছৰীয়া যুৱতী এজনী মহাৰাণীৰ কাষ চাপিল। যুৱতীৰ নাম মেৰী।

মেৰীক দেখামাত্ৰেই মাৰণ-হতীয়া যেন হৈ উগ্ৰ খঙতে কঁপি-জঁপি মহাৰাণীয়ে কৈ উঠিল, "এইক কোনে মোৰ ওচৰলৈ পঠালে? কোনে? এইক এতিয়াই ইয়াৰ-

মহেশ্বৰ চাংকাকতী

পৰা আঁতৰাই লৈ যোৱা।” মহাৰাণীয়ে তাত থকা তেওঁৰ কৰ্মচাৰীবিলাকক ক'লে।

কিন্তু মেৰীক আঁতৰাই নিবলৈ কোনো আগবাঢ়ি নাহিল। বা মেৰীও মহাৰাণীৰ কথাত ভীত নহ'ল। মেৰীয়ে মহাৰাণীক ক'লে, “মহাৰাণী, মই অলপ মন্ত্ৰ-তন্ত্ৰ জানো। মই ইচ্ছা কৰিলেই মোৰ ৰূপ-যৌৱন মুহূৰ্ততে আপোনাক দিব পাৰোঁ।”

মেৰীৰ এই কথা শুনি মহাৰাণীৰ খং মুহূৰ্ততে মাৰ গ'ল। তেওঁ মেৰীক সুধিলে, “তোমাৰ ৰূপ-যৌৱন মোক দিয়াৰ পৰিৱৰ্তে তোমাক কি দিব লাগিব?”

“আপোনাৰ ধন-সোণ সা-সম্পদ, আপোনাৰ মুকুট, সিংহাসন তথা আপোনাৰ সমগ্ৰ দেশখন মোক লাগে।” মেৰীয়ে ক'লে।

“কি?” মহাৰাণীয়ে জুইহেন জ্বলি উঠি ক'লে, “সামান্য ৰূপ-যৌৱনৰ পৰিৱৰ্তে সকলো বিসৰ্জন দিব লাগিব? তুমি—তুমি এই মুহূৰ্ততে ইয়াৰপৰা গুচি যোৱা।”

কিছুদিনৰ অন্তত মহাৰাণী কঠিন বেমাৰত আক্ৰান্ত হ'ল। এই বেমাৰৰ ফলত মহাৰাণীৰ দেহৰপৰা দুৰ্গন্ধ ওলাই থাকিল। আনকি তেওঁৰ লিগিৰীহঁতেও তেওঁৰ আলপৈচান ধৰাত অনিচ্ছুক হৈ উঠিল, ঘৃণা বোধ কৰিবলৈ ধৰিলে। মহাৰাণীৰ মৃত্যু যে চমু চাপিছে, এই কথাত ৰাজবৈদ্য নিঃসন্দেহ হ'ল, আৰু এই কথাটো সকলোৱে জানি গ'ল।



তেতিয়া—মেৰীক যেনেতেনে বিচাৰি উলিয়াবলৈ মহাৰাণীয়ে চাৰিওফালে তেওঁৰ বিশ্বস্ত অনুচৰবিলাকক প্ৰেৰণ কৰিলে।

এই খবৰ পাই মেৰী নিজেই আহিল। মহাৰাণীয়ে মেৰীক ক'লে, "তুমি ধন-সম্পদ ৰাজ্য-সিংহাসন সকলো লোৱা, মাত্ৰ মোক তোমাৰ ৰূপ-যৌৱন দিয়া।"

মেৰীয়ে মহাৰাণীক ক'লে, "মহাৰাণী! আগতে এই কথাত মোৰ অলপো আপত্তি নাছিল। কিন্তু—এতিয়া আপোনাৰ যি অৱস্থা—এই অৱস্থাত মোৰ ৰূপ-যৌৱন আপোনাক দিবলৈ ভয় হৈছে মোৰ।"

মহাৰাণীয়ে নানান ধৰণে মেৰীক বুজাই তেওঁৰ প্ৰস্তাৱত সন্মত কৰালে। আৰু তাৰ পাছত মেৰীয়ে তাইৰ ৰূপ-যৌৱন সকলো মহাৰাণীক প্ৰদান কৰিলে।

আৰু পাছমুহূৰ্ত্তৰেপৰাই মৃত্যুপথযাত্ৰিণী অগঢ়ীৰো অগঢ়ী মহাৰাণী পুনৰ শুৱনিৰো শুৱনি হৈ উঠিল। তেওঁ সোণৰ প্ৰতিমা যেন হৈ পৰিল। হাড়ে-ছালে লগা শুকান খৰি যেন বুঢ়ী মহাৰাণী এতিয়া অফুৰন্ত যৌৱনৰ অধিকাৰিণী! কিন্তু তথাপি তেওঁ এতিয়া ভিখাৰিণী।

কিয়নো, চৰ্ত অনুসাৰে, মহাৰাণী এতিয়া এজনী সাধাৰণৰো সাধাৰণ নাৰী। তেওঁ তেওঁৰ ৰাজধানী ৰাজ্যপাট এৰি এক অখ্যাত গাঁৱলৈ গ'ল বসবাস কৰিবলৈ। তেওঁৰ পিন্ধনত তেতিয়া

নাচি-বাগি গীত গাই গাই গছৰ ছাত ধেমালি-ধুমুলা কৰি ৰঙিয়াল ৰাংঢালীজনী হৈ কটাইছিল। কিন্তু এতিয়া তাই লাখুটি বিনে লৰচৰ কৰিব নোৱৰা হ'ল। দাঁত সৰিল, চুলি পকিল, চকুৰেও প্ৰায় নেদেখা হ'ল। তাই ভাবিলে: এয়ানো মই কি কৰিলোঁ? কেৱল ধনৰ লোভত মন হেৰুৱালোঁ মান হেৰুৱালোঁ। ৰাজ্য আৰু ধন-সোণ যিমানেই নাথাকক, এনে অৱস্থাত জীয়াই থকাত লাভ? এই বিৰাট ৰাজ-অট্টালিকাত কি সুখ মোৰ? আগতে—প্ৰকৃতিৰ মুক্ত বায়ুত উশাহ ল'ব পাৰিছিলোঁ, চৰাইৰ দৰে আছিলোঁ বন্ধনহীন; আৰু এতিয়া মই সুখৰ কাৰাগাৰৰূপী ৰাজসুখত বন্দী!

সিফালে—মহাৰাণীৰ অৱস্থাও হৈ পৰিছিল অতি বেয়া। তেওঁৰ তেতিয়াৰ সেই সাধাৰণ সাজ-পাৰ ছিঙি-ফাটি গৈছিল। ফটা-ছিঙা লেতেৰাৰো লেতেৰা কাপোৰ-কানি পিন্ধি থাকিবলগা হৈছিল তেওঁ। সচাঁহতে সাধাৰণ মহিলাৰূপী মহাৰাণীয়ে ভাবিলে: এনে চাপে চকু বৈ যোৱা ৰূপেৰে মই কি কৰিম? ৰূপ ধুই ধুই পানী খাই থাকিলে হ'ব জানো? এনেহেন ঘোকোট গাঁও এখনত কোনে মোৰ এই ৰূপৰ মোল বুজিব? আগৰ সাধাৰণ সাজ-পাৰ। তথাপি—মৃত্যুমুখী মহাৰাণী হৈ উঠিল মনমোহিনী।

আৰু মেৰী হৈ পৰিল মৰা-মুঈ। দেখাত এতিয়া তাই আলৰী; অথচ ৰাজপ্ৰাসাদৰ অধিকাৰিণী।

নিজৰ ৰূপ দাপোণত দেখি মেৰী উচপ খাই উঠিল। আৰু তৎক্ষণাৎ তাই আদেশ জাৰী কৰিলে যাতে কোনো মানুহ-মুনিহ তাইৰ আগত নোলায়হি! কিন্তু তথাপি তাইৰ মনত শান্তি নাই। তাই ভাবিলে: মই সকলো ধন-সম্পদৰ বিনিময়তো আগৰ ৰূপ ঘূৰাই নাপাওঁ।

নিজৰ গাঁৱৰ সখিয়েকহঁতৰ সৈতে মেৰীয়ে

সুখ-সন্তোষেই আছিল ভাল। ইমান দাৰিদ্ৰ্য-দুৰ্দশাৰ মাজত জীৱন-যাপন কৰা সম্ভৱনে বাৰু? এনেবোৰ বহুতো কথা মহাৰাণীয়ে ভাবি থাকিল।

অভাৱ-অনাটনৰ মাজত অতিবাহিত কৰা, দুৰ্বিষহ হৈ উঠা মহাৰাণীয়ে ভাবি থাকিল: এই ব্যৰ্থ যৌৱনতকৈ বাৰ্ধক্য বেয়া নহয়। মই পাৰিলে—পুনৰ বুঢ়ী হ'ম।

এনেবোৰ কথা দ'কৈ ভাবি ভাবি মহাৰাণী পুনৰ ৰাজধানীলৈ গ'ল।

মহাৰাণী যে কিয় ৰাজধানীলৈ তথা ৰাজপ্ৰাসাদলৈ উভতি আহিল, সেই কথাটো মেৰীয়ে নুবুজাকৈ নাথাকিল।

মহাৰাণীয়ে কাতৰ কণ্ঠেৰে মেৰীক ক'লে- "মেৰী, মই ভুল কৰিলোঁ, বৰ ভুল হ'ল। তোমাৰ ৰূপ-যৌৱন তুমি ঘূৰাই লোৱা, মোক লাগে জীৱনৰ জুই। মোক মোৰ বাৰ্ধক্য ঘূৰাই দিয়া, তুমি তোমাৰ ৰূপ-যৌৱন ঘূৰাই লোৱা।"

মহাৰাণীৰ এই প্ৰস্তাৱত মান্তি হৈ মেৰীয়ে ক'লে, "হে মহাৰাণী, মই হ'লোঁ সাধাৰণ ছোৱালী এজনী। জীৱনত মোৰ দুবিধৰ অভিজ্ঞতা হ'ল। গাঁৱত মই কিমান যে হাঁহি-মাতি দিনবোৰ-ৰাতিবোৰ কটাইছিলোঁ! আৰু ইয়াত ৰাণী হৈ, দিন-বোৰ-ৰাতিবোৰ কেৱল সমস্যাৰ সাগৰতহে উটি-বুৰি হাৰাশাস্তি হৈছোঁ। এতিয়াতকৈ আগৰ সেই গাঁৱলীয়া জীৱনেই আছিল ভাল। সেই জীৱনত আনন্দ আছিল, সুখ আছিল, শান্তি আছিল। তেতিয়া ইমান সমস্যা নাছিল। মোৰ ৰূপ-যৌৱনৰ পৰিৱৰ্তে ধন-সোণ ৰাজ্যপাট লৈ যি মহাভুল কৰিছিলোঁ, আৰু কদাপি সেই ভুল নকৰোঁ। জীৱনৰ জুই জীৱনৰ মাজতে নিহিত, বাদবাকী দেখাত জুইহেন হ'লেও ধানখেৰৰ জুই।" এই বুলি কৈ, মহাৰাণীক পুনৰ বাৰ্ধক্য ঘূৰাই দিয়াৰ অন্তত মেৰী তাইৰ নিজ গাঁৱলৈ উভতি গ'ল।



আঁচলৰ ধন

অমৰাৱতী নগৰত অনাদিশেখৰ নামৰ এজন সোণ-ৰূপৰ বেপাৰী আছিল। অনাদিৰ আছিল তিনিজনী ছোৱালী। ডাঙৰজনীৰ নাম গংগা, মাজুজনীৰ নাম যমুনা, আৰু সৰুজনীৰ নাম সৰস্বতী।

অনাদিয়ে অধিক বয়সত বিয়া কৰাইছিল। সেয়েহে অধিক বয়সত, যেতিয়া তেওঁৰ ছোৱালীহঁত বিবাহযোগ্যা, তেতিয়া পৰিবাৰ ঢুকুৱাত আলৈ-আথানি হোৱা যেন হ'ল। অনাদিৰো তেতিয়া এতিয়াই যাওঁ তেতিয়াই যাওঁ অৱস্থা। এনে অৱস্থাত— অনাদিয়ে তাৰ সম্পত্তিৰ সৰহখিনি বেচি ছোৱালী তিনিজনীৰ বিয়া পাতিব, আৰু বাকীখিনি তিনিজনীৰ মাজত ভগাই দিব বুলি খাটাং কৰিলে।

এদিন অনাদিয়ে তাৰ ছোৱালীহঁতক ক'লে, "মোৰো বয়স হ'ল, ব্যৱসায়-বেপাৰ চোৱা-চিঁতা কৰাৰ শক্তিও টুটি আহিল। আৰু—দুজনখন বৈদ্যই একেই কথা ক'লে, মোৰো হেনো দুবছৰতকৈ বেছি দিন আৰু চাউল নাই। সেইদেখি, তোমালোকৰ বিয়া মই একেলগেই পাতিম, আৰু তাৰ পাছত কাশীলৈ যাত্ৰা কৰিম। কাশীৰপৰা যদি উভতি আহিব পাৰোঁ, তোমালোকৰ ওচৰত কিছুদিনকৈ থাকিমগৈ। —মোৰ মনৰ ইচ্ছা তোমালোকক ক'লোঁ, এতিয়া তোমালোকৰ মতামত কোৱা।"

ডাঙৰজনী গংগাই ক'লে, "দেউতা, তোমাৰ কথাত মই বেয়া পোৱা নাই, ভালেই পাইছোঁ; কিন্তু—আমাৰ বিয়াৰ পাছত যে আমাৰ লগত থাকিবা বুলি

বন্দনা বৰুৱা

কৈছা—কাৰ গিৰিয়েৰ কেনেকুৱা হ'ব আগতীয়াকৈ কেনেকৈ ক'বা?"

তাৰ পাছত অনাদিয়ে মাজুজনী যমুনাক সুধিলে, "আই যমুনা, তোমাৰনো মতামত কি এই বিষয়ে?"

যমুনাই ক'লে, "বাইদেউৰ কথা মোৰো কথা। বিয়াৰ পাছত কাৰজন কেনেকুৱা হ'ব কোনে ক'ব। আৰু—এই বিষয়ত মোৰো আছুতীয়াকৈ কিছু কথা তোমাক ক'বলগীয়া আছে।"

"কোৱাঁ।"

"মোৰ বিয়া এই নগৰতে পাতা যদি মই সদায় তোমাৰ খবৰ ল'ব পাৰিম।"

তাইৰ কথা শুনি অনাদিয়ে ভাল পালে আৰু তাৰ পাছত সৰুজনী সৰস্বতীক ক'লে, "এইবাৰ তোমাৰ মত কোৱা।"

সৰুজনী সৰস্বতীয়ে ক'লে, "মোৰ বিয়াৰ কাৰণে ইমান খৰখেদা নকৰিলেও হ'ব, দেউতা। তুমি কিয় অকলৈ কাশীলৈ যাবা? তোমাৰ শৰীলো দেখোন বৰ ভাল নহয়। যদি কাশীলৈ যোৱাই, ময়ো তোমাৰ লগত যাম। কাশীৰপৰা উভতি অহাৰ অন্তত, তুমি যিমান দিন জীয়াই থাকিবা, মই তোমাৰ লগতে তোমাৰ কাষতে থাকিম।"

তিনিওজনীৰ তিনিবিধৰ কথা শুনি অনাদি আনন্দিত হ'ল।

অনাদিয়ে তাৰ বিষয়-সম্পত্তি বেচি ডাঙৰ আৰু মাজুজনীৰ বিয়া পাতি দিলে, আৰু তাৰ পাছত, আঁচলৰ ধন সৰুজনী সৰস্বতীক লগত লৈ কাশীলৈ গ'ল।

ছমাহমান তীৰ্থে তীৰ্থে ভ্ৰমি ফুৰাৰ অন্তত অনাদি পুনৰ গাঁৱলৈ উভতি আহিল আৰু তাৰ পাছত সৰস্বতীৰ বিয়া পাতি জোঁৱায়েকক ঘৰ-জোঁৱাই হিচাপে ৰাখিলে আৰু তাক শিকাই-বুজাই ব্যৱসায়ৰ যোগ্য কৰি তুলি ব্যৱসায় পৰিচালনাৰ দায়িত্ব তাৰ ওপৰতে অৰ্পিলে।

গুপ্তধন

এঁকালত এগৰাকী বুঢ়ী বনৰ একাষত বাস কৰিছিল। বুঢ়ী আছিল বৰ দুখীয়া। তেওঁৰ আছিল দহবছৰীয়া এটি ল'ৰা। ল'ৰাটিৰ নাম ভেলাইৰাম। সি বনৰ লতা-পাত ঠাল-ঠেঙুলি বুটলি-বেচি যিখিনি আৰ্জিছিল, সেইখিনি সি তাৰ মাক দিছিল। এইদৰে সিহঁত দুয়ো কথমপি জীয়াই আছিল।

ভেলাইৰামে সদায় ভাবিছিল : যদি কেনেবাকৈ ক'ৰবাত গুপ্তধন পালোহেঁতেন! তেতিয়া মোৰ দুখিনী মা-ক সুখৰ মুখ দেখুৱাব পাৰিলোহেঁতেন।

এই বন তাৰ বৰ আপোন। বনৰ পশু-পক্ষীৰ লৈতে, আনকি গছ-ছনিৰ লৈতেও সি মাত-বোল কৰিছিল। আজি ভেলাইৰামে এজোপা গছক সুধিলে, "হেৰা গছ, তোমাৰনো বয়স কিমান? তুমি কিমান পুৰণিদিনীয়া?" চৰাইক সুধিলে, "হেৰা চৰাই, তোমাৰ নাম কি?"

আন ঠাইত সি এজন ছুটি-চাপৰ মানুহ দেখা পালে। মানুহজনে এজোপা গছৰ তলত থিয় হৈ গান গাই আছিল।

ভেলাইৰামে মানুহজনে সুধিলেগৈ "এই বনৰ ক'ৰবাত গুপ্তধন আছনে? গুপ্তধন পালে মই মোৰ মা-ক সুখৰ মুখ দেখুৱাব পাৰিম।"

সেই চুটি-চাপৰ মানুহজজে হো হোকৰে হাঁহি উঠি ক'লে, "তামাৰ মাৰাই বহু দিনৰ আগতেই গুপ্তধন পাই গ'ল।" এই বুলি কৈ, মানুহজন তাৰপৰা গুচি গ'ল।

ভেলাইৰামে ঘৰলৈ উভতি আহি তাৰ মাকক সকলো কথা বিবৰিলে আৰু পৰিশেষত ক'লে, "মা. তুমি যে গুপ্তধন পালা—মোক কাহানিও নক'লা কেলেই?"

মাকে পুতেকৰ এই কথাখিনি কথা শুনি, অবাক মানি, এমোকোৰা হাঁহিৰে মুখখন উজলাই ক'লে, "পালোঁ তো! এই কথাত তোকনো আৰু কি ক'ম? তয়েই দেখোন মোৰ গুপ্তধন!"

স্বৰ্ণ-উপত্যকা

৬

পবিত্ৰ মহামৃগক
বিনন্দই মাৰি পেলোৱাৰ
অদ্ভুত ৰজায়ো জাদুশক্তিসম্পন্ন
মনোদৰ্পণত পুৰোহিতৰ প্ৰকৃত ষড়যন্ত্ৰমূলক
ৰূপ দেখা পাই তাক তৎক্ষণাৎ তৰোৱালেৰে হত্যা
কৰিলে। তাৰ পাছত ৰজাই মনোদৰ্পণৰ যোগেদি
বিনন্দৰ প্ৰকৃত ৰূপ জানিব পাৰিলে আৰু তেতিয়া ৰজাই
বিনন্দক অদৃশ্য হোৱাৰ জাদুমন্ত্ৰ শিকাই দিলে, আৰু জ্ঞানভূমিৰ সীমাত
ভৰি দিয়েই বিনন্দই সেই মন্ত্ৰৰ সহায়ত নিজক সম্পূৰ্ণৰূপে অদৃশ্য কৰি পেলালে।
আৰু তাৰ পাছত……

অদৃশ্য হোৱাৰ অন্তত পুনৰ দৃশ্যমান হওঁতে বিনন্দৰ ঢেৰ সময় গাগিল। বিনন্দই বুজি পালে যে সি এচটা শিলৰ ওপৰত পৰি আছে। সি লৰ-চৰ কৰিব পাৰিছেনে নাই, সেই কথাৰ বুজ ল'বলৈকো তাৰ কিছু সময় পাৰ হ'ল। সকলো কথা সপোন সপোন যেন লাগিছিল তাৰ। সি নিজক নিজেই কৈ উঠিল : হে ঈশ্বৰ! মই আন কোনোবা জাদুকৰ, বা তান্ত্ৰিক, বা পুৰোহিতৰপৰা সহায় ল'মনে মোৰ

মনোজ দাস

এই অচিন্তনীয় অসহায় অৱস্থাত ?

"তুমি কোন ?" এগৰাকী সাধুৱে বিনন্দক সুধিলে, "শ শ বছৰ ধৰি যি দুৱাৰ বন্ধ আছিল, সেই দুৱাৰ পাৰ হৈ এই গুহাৰ ভিতৰলৈ সোমালাহি কেনেকৈ ? এই গুহাত সোমোৱাৰ সাহস পালানো ক'ৰপৰা ?"

"শ শ বছৰ !" বিনন্দই বিস্ময়েৰে কৈ উঠিল, "তাৰ অৰ্থ হ'ল—আপুনি যোৱা কেইবাশও বছৰ ধৰি এই গুহাৰ ভিতৰত সোমাই আছেহি! মোক ইয়াত দেখা পাই আপুনি যিমান বিস্মিত, মই আপোনাক ইয়াত দেখি, আৰু আপোনাৰ কথা শুনি তাতোকৈ অধিক বিস্মিত হৈছোঁ।"

"মোৰ প্ৰশ্নৰ উত্তৰ কিন্তু এতিয়াও নাপালোঁ। এই গুহাৰ ভিতৰলৈ সোমোৱাৰ সাহস তোমাৰ কেনেকৈ হ'ল—এয়ে আছিল তোমাৰ প্ৰতি মোৰ প্ৰশ্ন।" সাধুৱে অচিনাকি আগন্তুক বিনন্দক ক'লে।

সাধুৰ প্ৰশ্নৰ উত্তৰত বিনন্দই নিজৰ কথা চমুকৈ সাধুক বুজাই ক'লে।

সাধুৱে বিনন্দক ক'লে, "বোপা, তোমাৰ অদৃশ্য হোৱাৰ শক্তিয়েহে তোমাক ইয়ালৈ লৈ আহিব পাৰিছে। নহ'লে—কোনোবা সাধাৰণ মানুহৰ পক্ষে এয়া এক অসম্ভৱ কাম।"

তাৰ পাছত, অলপ পৰলৈ চকু মুদি ভবা-গুণা কৰাৰ অন্তত সাধুৱে বিনন্দক পুনৰ ক'লে, "আহাঁ, মোৰ পিছে পিছে আহি থাকাঁ। মই তোমাক এনে এডোখৰ ঠাই দেখুৱাম, যিডোখৰ ঠাই দেখি তুমি নিশ্চয় অবাক-বিস্মিত-স্তব্ধ হৈ থাকিবা।"

এই বুলি কোৱাৰ অন্তত সাধু আগ বাঢ়িল আৰু বিনন্দই সাধুৰ পিছে পিছে গৈ থাকিল। গুহাৰ ভিতৰৰপৰা ওলাওঁতে গুহাৰ মুখত থকা বিৰাট শিল এচটা বিনন্দই আঁতৰাবলৈ দেহৰ সমস্ত শক্তিৰে চেষ্টা কৰি চালে ; কিন্তু বিনন্দৰ দেহৰ শক্তিক উপলুঙা কৰি সেই বিশাল শিলচটা

চুলিমানো ঠাইৰপৰা নাতঁৰিল।

“ৰ’বা! মই অলপ চেষ্টা কৰি চাওঁ।” এই বুলি কৈ, সাধুৱে তেওঁৰ হাতত থকা লাখুটিডালেৰে শিলচটা ছুই দিলে—আৰু দিয়াৰ লগে লগে চকুৰ পচাৰতে সেই বিৰাট গধুৰ শিলচটা বহু দূৰলৈ যেনিবা উফৰি পৰিলগৈ।

পাছমুহূৰ্ত্ততে দুয়ো, সাধু আৰু বিনন্দ, সেই গুহাৰপৰা ওলাই আহিল।

আৰু গুহাৰপৰা ওলাই অহাৰ লগে লগেই বিনন্দই সেই গুহাৰপৰা অনতিদূৰত পাহাৰৰ নামনিত এখন নয়নাভিৰাম নগৰ দেখা পাই অনুভৱ কৰিলে যে এই নগৰখন নিশ্চয় এখন অপাৰ ৰহস্যময় নগৰ হ’ব।

বিনন্দই মনতে ভাবিলেঃ হে ঈশ্বৰ! এই গুহাৰ ভিতৰত যেতিয়া সোমাই আছিলোঁ, তেতিয়াও বহু সংখ্যক বৃক্ষ, চৰাই, আৰু গছ-বন দেখা পাইছিলোঁ। সেইবোৰ — এতিয়ানো ক’লৈ গ’ল? কেনেকৈ নোহোৱা হ’ল? এই ৰহস্যৰ সমাধান কি? বিনন্দৰ মনৰ কথা বুজাত সাধুৰ অলপো সময় নালাগিল। সাধুৱে মিচিকীয়াই হাঁহি চিন্তাৰ সাগৰত ডুব যোৱা বিনন্দক ক’লেঃ

এইডোখৰ ঠাই একালত আছিল

অটব্য অৰণ্য। এই গভীৰতম অৰণ্যত মাত্ৰ সাধু এগৰাকীৰ বাহিৰে আন কোনো মানুহ নাছিল।

এইদৰে বহুকাল পাৰ হ’ল। তাৰ পাছত—

এদিন — ৰজাৰ অত্যাচাৰ সহিব নোৱাৰি এজন দুখীয়া মানুহ ৰাজধানীৰপৰা পলাই আহি এই অৰণ্যলৈ সোমাইছিলহি। এদিন গ’ল দুদিন গ’ল— তিনিদিনৰ দিনা সি ভোকত পোৰণিত অস্থিৰ হৈ উঠিল। সি কিবা এটা খাবলৈ ইফালে-সিফালে চাই কেইটামান কণ কণ চৰায়ে এটাৰ বিৰাট ফল খাই থকা দেখা

পাই, সেই চৰাইবিলাকক খেদি, নিজেই সেই ফলটো খালে। চৰাইবোৰে খোৱা ফল খোৱাটো তাৰ উচিত হয়নে নহয়—সেই কথা ভোকৰ পোৰণিত তাৰ মনতো নপৰিল।

কিন্তু তাৰ পাছত তাৰ মনত এটা প্ৰশ্ন জাগিল : সেই কণ কণ চৰাইবিলাকে ইমান ডাঙৰ ফলটো ইয়ালৈ লৈ আহিল কেনেকৈ? কথাটো ভাবি সি চাৰিওফালে চালে। চাই চাই—এফালে এখন চাং থকা দেখা পালে। এই চাংখনৰ গাত বগাই কত যে লতা-পাত বহু ওপৰলৈ উঠি গৈছে তাৰ সীমা সংখ্যা নাই।

ইমান বিৰাট শিল থকা গুহাৰ মাজত গছ-গছনি, বা ইমান ডাঙৰ ফল, বা চৰাই-চিৰিকতি আছে কেনেকৈ? —এই কথা ভাবি সেই মানুহজন বিভ্ৰান্ত হ'ল আৰু সাধুক এই ৰহস্যময় কথাটো সুধিলে।

সাধুৱে ক'লে, 'মই মোৰ মন্ত্ৰশক্তিৰে এইবোৰ সৃষ্টি কৰোঁ। মই আনন্দতে সৃষ্টি কৰোঁ আৰু মোৰ সৃষ্ট ফল খাই পক্ষীকুল আনন্দিত হয়।"

"তেনেহ'লে—মোকো এটা চৰাই কৰি দিয়ক, তেতিয়া ময়ো এই সোৱাদ ফল সদায় খাবলৈ পাম।" মানুহজনে সেই সাধুগৰাকীকক ক'লে।

"চৰাই হ'বা কিয়? আৱশ্যক হ'লে তোমাৰ কাৰণে তাতোকৈ ডাঙৰ ফল সৃষ্টি কৰিম। তাৰ কাৰণে চৰাই হ'ব নালাগে।" সাধুৱে ক'লে।

কিন্তু তথাপি মানুহজনক দুশ্চিন্তাগ্ৰস্ত যেন দেখি সাধুৱে তাক ক'লে, "তোমাৰ ভোক দেখোন নাইকিয়া হ'ল। পেট পূৰাই খালা। আকৌনো দুশ্চিন্তা কিহলৈ? কিহৰ কাৰণে দুশ্চিন্তা?"

"হে মহৰ্ষি! আপোনাৰ দয়াত মই সপৰিয়ালে ভোকৰ পোৰণিৰপৰা ৰেহাই পাব পাৰোঁ। কিন্তু মই মোৰ বন্ধু-বান্ধৱসকলকো বা পাহৰি থাকোঁ কেনেকৈ?"

মানুহজনে কাবৌ কৰিলে।

"এয়ে যদি তোমাৰ দুশ্চিন্তাৰ হেতু, তেনেহ'লে তোমাৰ বন্ধু-বান্ধৱসকলকো ইয়ালৈ লৈ আহাগৈ যোৱা।" সাধুৱে মানুহজনক ক'লে।

"হে মহাপ্ৰভু! মই যদি মোৰ পা-পৰিয়াল মিতিৰ-কুটুম বন্ধু-বান্ধৱ সকলোকে লৈ আহোঁ, আপুনি নিশ্চয় বেয়া পাব। কিয়নো তেতিয়া তো এটা মাত্ৰ ফলেৰে নহ'ব, আপুনি তেতিয়া ঢেৰ ঢেৰ ফল সৃষ্টি কৰিবলগীয়া হ'ব।"

সাধুগৰাকীয়ে মুহূৰ্তমান ভাবি লৈ ক'লে, "শুনা, মই এতিয়া পুনৰ গুহাৰ ভিতৰলৈ যাম, আৰু তপস্যাত বহিম। মোৰ তপস্যাৰ ফল যে কেতিয়া ফলিব, একমাথোন ভগৱন্তইহে ক'ব পাৰিব। পিছে—তপস্যা কৰি থকালৈকে মই নিতৌ এটাকৈ ফল সৃষ্টি কৰি থাকিম। মোৰ ধাৰণা, এই ফল খালেই তোমালোকৰ ক্ষুধা গুচিব। তুমি যদি আহিব নোৱাৰা তেনেহ'লে আন কোনোবা আহিলেও হ'ব, মাত্ৰ কিমান মানুহে খাব—সেই কথাটো গুহাৰ দুৱাৰত থিয় হৈ ক'লেই তেতিয়া মই ফলটো ডাঙৰ বা সৰুকৈ সৃষ্টি কৰিম। মোৰ এই কথাৰ অন্যথা অৱশ্যেই নহ'ব বুলি জানিবা।"

তাৰ পাছত এই মানুহজনে পা-পৰিয়ালে তাত পঁজা সাজি থাকিবলৈ ল'লে। সাধুৱে তাক ক'লে, "ঈশ্বৰৰ অশেষ কৰুণাৰ ফলত তোমালোকৰ ক্ষুধাৰ আহাৰৰ বন্দৱস্ত কৰা হ'ল। সত্যক অনুধাৱন কৰিবলৈহে মানুহৰ জন্ম হয়। এতিয়াৰপৰা সত্যক অনুধাৱনৰ কৰ্মত তোমাৰ জীৱন সমৰ্পিত হওক।" এই বুলি উপদেশ প্ৰদান কৰি, সাধু গুহাৰ ভিতৰলৈ গ'ল, আৰু অতি কঠোৰ তপস্যাত বহিলগৈ। তাৰ পাছত একাদিক্ৰমে শ শ বছৰ পাৰ হ'ল।

সাধুৰ কথা শেষ হোৱাৰ অন্তত

বিনন্দই ক'লে, "হে মহাত্মা, আমি এতিয়া যিখন নগৰ দেখা পাইছোঁ, সেই তেতিয়াৰ কালত তেনেকৈ অহা মানুহবিলাকে সজা নগৰনে? গুহাৰ মুখত মই এটা অতি বৃহৎ ফলো দেখা পাইছিলোঁ। এইটোও আপোনাৰ সৃষ্ট নিশ্চয়? ভাবি তৰধেই মানিছোঁ যে — সেই তাহানিকালৰপৰা এতিয়ালৈকো সেই মানুহবোৰে একমাত্ৰ আপোনাৰ সৃষ্ট ফলৰ ওপৰত নিৰ্ভৰ কৰি জীৱনযাপন কৰিছে!"

সাধুৱে ক'লে, "দূৰৰ বস্তু দেখিবলৈ গুৰনি হয়েই। সদায় বস্তুৰ ওচৰ চাপি যাব লাগিব, তেহে কথা ফটফটীয়া হ'ব।"

এই বুলি কোৱাৰ লগে লগে দুয়ো পুনৰ নগৰলৈ বুলি গৈ থাকিল। বহু সময়ৰ অন্তত দুয়ো নগৰৰ প্ৰধান দুৱাৰমুখ পালেগৈ। তেতিয়া নগৰৰ দুৱাৰমুখত দুটা প্ৰহৰী পৰ দি ৰৈ আছিল। দুৱাৰৰ কাষত বহু মানুহো ৰৈ আছিল। এই মানুহৰ জুমৰ মাজৰপৰা এজনে কৈ উঠিল, "আমি বহু দূৰৰপৰা অহা যাত্ৰী। আমি পাহাৰৰ ওপৰলৈ যোৱাৰ অনুমতি পামনে?"

"নোপোৱা।" এজন প্ৰহৰীয়ে ক'লে, "কিয়নো—আমাৰ মাজৰপৰা এজন মাত্ৰ সেই পৰ্বতলৈ যায় আৰু আমাক কিমানৰ বাবে খাদ্যৰ আৱশ্যক, সেই কথা আগৰ দিন কয়গৈ। সেই অনুসাৰে পাছদিনা ফল পোৱা যায়। গতিকে—তালৈ যোৱাৰ কাৰো আৱশ্যকেই নাই।"

কিন্তু সাধু আৰু বিনন্দ দুৱাৰমুখেদি নগৰৰ ভিতৰলৈ সোমাই গ'ল। এই কথাত অলপ আচৰিত হৈ বিনন্দই সাধুৰ পিনে ঘূৰি চোৱাৰ লগে লগে সাধুৱে বিনন্দক ক'লে, "আমি ভিতৰ পালোঁহি, অথচ কোনেও আমাক বাধা দিয়া নাই কিয়—সেই কথা সুধিবানে মোক? আচল কথা হ'ল—সিহঁতৰ সমুখেদি অহা সত্ত্বেও আমাক সিহঁতে দেখা পোৱা নাই। কিয়নো, আমি সম্পূৰ্ণ অদৃশ্য অৱস্থাত



ইয়াত কোনেও নজনাকৈ সোমাইছোঁহি।

এঠাইত বিনন্দই বৈ দিলে।

তাত এচটা বিৰাট শিলৰ গাত খোদিত আছিলঃ 'নৈঃশব্দ, নৈঃশব্দ সুন্দৰ! কিমান সুখকৰ! শব্দ নকৰিবা।'

সাধুৱে ক'লে, "ইয়াত এখন উদ্যান আছিল।" এই বুলি কৈ সাধুৱে পুনৰ খোজ ল'লে।

তাৰ পাছত সাধু আৰু বিনন্দ য'ত ৰ'লগৈ, তাত একেলগে বহু মানুহ টোপনিত লাল-কাল দি আছিল। আনকি তাত থকা প্ৰহৰীহঁতো টোপনিৰ জালত আছন্ন। এই অৱস্থালৈ লক্ষ্য কৰি সাধুৰ খং উঠিল। খঙতে তেওঁ টোপনি-গতুৱাহঁতৰ চুলিত ধৰি টানি তুলিলে। বিনন্দয়ো এই কামত হাত উজান দিলে। সাধুৱে তাত থকা প্ৰহৰীকেইটাকো পোনালে। আৰু তাৰ পাছত পুনৰ খোজ ল'লে।

গৈ থাকোঁতে বিনন্দই সাধুক ক'লে, "হে মহাত্মা, আপুনি হঠাৎ ইমান ক্ৰুদ্ধ হৈ উঠিল কিয়? আপুনি অনুগ্ৰহ কৰি—আপোনাৰ ইমান ক্ৰুদ্ধ হৈ উঠাৰ কাৰণ মোক বুজাই ক'বনে?"

"মই ইহঁতৰ পূৰ্বপুৰুষহঁতক তপস্যা কৰিবলৈ কৈছিলোঁ। আৰু — ইহঁতে তপস্যা কৰাৰ সলনি টোপনিতহে লাল-কাল দিছে! ইহঁতৰ অধঃপতনৰ দৃশ্য চাই খং নুঠি ৰং উঠিবনে?" সাধুৱে ক'লে।

তাৰ পাছত সাধু আৰু বিনন্দ এটা প্ৰকাণ্ড ঘৰৰ ভিতৰলৈ সোমালগৈ। তেতিয়া তাত এখন বিশিষ্ট সভা পতা হৈছিল। এজন যুৱনেতাই তাত কিবাকিবি কৈ আছিল। সাধু আৰু বিনন্দই তালৈ সোমোৱালৈ কোনেও লক্ষ্য কৰা নাছিল। কিয়নো তেওঁলোক আছিল অদৃশ্য।

সাধু আৰু বিনন্দ সেই প্ৰকাণ্ড ঘৰটোৰ ভিতৰত সোমোৱাৰ পাছত সেই ঘৰটোৰ দুৱাৰ বন্ধ হৈ গ'ল। [অহা সংখ্যাত

নোপোৱাক পোৱাৰ আশাৰে...

প্রতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, কোনোবা ৰজা এগৰাকীয়ে যে এইদৰে অনন্তকাল ধৰি অবাবতে শ্ৰম কৰিব পাৰে, সেই কথা ভবাৰো অযোগ্য কথা। ঠিক তোমাৰ দৰেই, এটা পোৱালি ভূতে তাৰ প্ৰতিজ্ঞা-মতে কাৰ্য্যসিদ্ধি কৰিব নোৱাৰি হতাশ হৈ উভতি গৈছিল। মোৰ ধাৰণা, তুমিও এদিন পোৱালি ভূতটোৰ দৰে হতাশ হ'বা। এতিয়া মই তোমাক পোৱালি ভূতৰ কাহিনী কওঁ শুনা।" এই বুলি কৈ, বেতালে সেই কাহিনী কবলৈ ধৰিলেঃ

'বেতাল-কথা'

নাগপুৰ গাঁৱৰ নৰাম তাৰ ঘৈণীয়েকৰ ওপৰত বীতস্পৃহ হৈ, ঘৰ এৰি, নাকৰ পোনে পোনে গৈ গৈ গভীৰ অৰণ্য পালেগৈ, আৰু তাত এজোপা তেতেলীৰ তলত বহিলগৈ।

লগে লগে তেতেলীজোপাৰপৰা এটা পোৱালি ভূত নামি আহিল, আৰু নামি আহিয়েই পোৱালি ভূতটোৱে নৰামক নমস্কাৰ কৰি ক'লে, "হেৰি পণ্ডিত মহাশয়, ভয় নকৰিব। মই আপোনাৰ ওচৰত লিখা পঢ়া শিকিম বুলিহে ভূত হৈও আপোনাৰ কাষ চাপিলোঁ।"

নৰামে উচপ খাই উঠি ক'লে, "কোন? কোন তুমি? তুমি যদি ভূতেই, তোমাৰ পঢ়া-লিখাত কিনো প্ৰয়োজন?"

"পঢ়া-লিখালৈ মোৰ সকৰেপৰাই বৰ ৰাপ। পিছে—হ'লে কি হ'ব। সৰুতেই দেউতা ঢুকাল। বহু কষ্টেৰে মাতৃয়ে মোক ডাঙৰ-দীঘল কৰিলে।

"অলপ ডাঙৰ হোৱাৰ পাছত মই কাম-বনত ধৰিলোঁ। পিছে পঢ়া-লিখালৈ ধাউতি মোৰ থাকিয়েই গ'ল। কাম-বন কৰি মই যিখিনি আৰ্জিছিলোঁ, তাৰপৰা মই এখিনি সাঁচিছিলোঁ। কিন্তু এবাৰ মা বেমাৰত পৰিল আৰু মোৰ সাঁচনৰ ধন কাছনত গ'ল। আৰু লগতে মা-ও ঢুকাল। এই দুখত মই নৈৰ পানীত পৰি মৰিলোঁ. আত্মঘাতী হ'লোঁ। আৰু তাৰ ফলত—অপঘাত মৃত্যুৰ ফলত—মৰাৰ পাছত ভূত হ'লোঁ। তুমি যি কৰিবলৈ ক'বা, মই তাকে কৰিম। তোমাৰ কথা মতে কাম কৰিম. তোমাৰ ভৰি-হাত পিটিকি দিম. আলপৈচান ধৰিম, ক—ত কি যে কৰিম। পিছে—মোক পঢ়া-লিখা শিকাবই লাগিব।" পোৱালি ভূতটোৱে নৰামক ক'লে।

"চোৱাঁ, মই সকলো কাম টকাৰ কাৰণেহে কৰোঁ। তুমি মোক টকা দিব পাৰিবানে?" নৰামে পোৱালি ভূতটোৰ



ৰগত ধৰি সুধিলে।

"তোমাক কিমান টকা লাগিবনো?" পোৱালি ভূতে সুধিলে নৰামক।

"মোক এহেজাৰ সোণৰ মুদ্ৰা দিব লাগিব।" নৰামে ক'লে।

"ইমমান মুদ্ৰা ক'ত পাম? ৰজাৰ ধনভঁৰাল উদি কৰি আনিমনে কি? পোৱালি ভূতেও নৰামক পনীয়ল পিটিকা দিলে।

"তুমি ক'ৰপৰা কি কেনেকৈ আনিবা—তাৰ হিচাপত মোৰ দৰ্কাৰ নাই নহয়? মুঠতে—পঢ়াবলৈ হ'লে মোক সেইখিনি লাগেই।" নৰামেও ন-দি কৈ দিলে।

"ঠিক আছে, দিয়া যাব। পিছে—এটা চৰ্তত। মোক ভালকৈ পঢ়া-লিখা শিকাব লাগিব।" পোৱালি ভূতে ক'লে।

"আন এটা কামো কৰিব লাগিব।" নৰামে নকওঁ নকওঁকৈয়ো কৈয়েই পেলালে পোৱালি ভূতক, "মোৰ পৰিবাৰে মোক জলা-কলা কৰে বাঢ়নী জোকাৰে। তাই মোক দেখামাত্ৰেই যাতে ভয়তে দৌলা-কোঁকোৰা দিয়ে, তেনেকুৱা কিবা এটা বন্দৱস্ত কৰি দিবা।"

"হ'ব। দিম কৰি। কিন্তু মোক পঢ়-লিখা শিকাব লাগিব।" পোৱালি ভূতে আকানৰ কথাৰ বৃন্দাৱন এৰি নৰামক কামৰ বৃন্দাৱনলৈ লৈ আহিল।

তাৰ পাছত নৰামে আৰু কেটামান কাম কৰি দিবলৈ পোৱালি ভূতটোক ক'লে।

নৰামে তাৰ গাঁৱৰ ধনী মানুহ এজনৰ-পৰা টকা ধাৰ হিচাপে লৈছিল, আৰু এবছৰৰ পাছত ধাৰ মাৰিছিল; কিন্তু ধনী মানুহজনে কয় যে নৰামে হেনো এটা পইচাও পৰিশোধ কৰা নাই। নৰামে কি ক'ব—সি ধাৰ পৰিশোধ কৰাৰ সাক্ষী নাই যে—? এতেকে—এই ধনী মানুহটোৱে যাতে ধাৰ পৰিশোধৰ কথা মানি লয়, তেনেকুৱা কিবা এটা পোৱালি ভূতে কৰি দিব লাগিবই। এই বিষয়ে

গাঁৱৰ ৰাইজৰ কিছুমানে নৰামৰ কথাত বিশ্বাস কৰিছিল ; কিন্তু কিছুমান ধনিকৰ ফলীয়া হৈ পৰিছিল।

এতিয়া পোৱালি ভূতৰ চেষ্টাত গাঁৱত প্ৰচাৰ হ'ল যে নৰাম হ'ল অতি নিষ্ঠাবান মানুহ, আৰু তাৰ মাজত আছে বিভিন্ন ধৰণৰ অলৌকিক শক্তি।

আৰু তাৰ ফলত, নৰামৰ কপাল ফুলিল। তাৰ দুখ-দাৰিদ্ৰ্য গুচিল। সদায় বাঢ়নী জোকৰা ঘৈণীয়েকো সেও হ'ল, সেই ধনী মানুহজনেও নিজমুখে ৰাইজক কোৱা হ'ল যে নৰামে কেতিয়াবাই তেওঁৰ আটাইখিনি ধাৰ পৰিশোধ কৰিলে।

কিন্তু হঠাৎ দুৰ্ভগলীয়া নৰামৰ কপালৰ গাঁঠি মুকলি হোৱাত গাঁৱৰ বহুতেই অবাক মানিলে। আকৌ বহুতেই নৰামক মহাপুৰুষহেন ভাবি থাকিল। কিয়নো পোৱালি ভূতৰ সহায়ত নৰাম আকাশত উৰিব পৰা হৈছিল, পানীৰ ওপৰেদি খোজ কাঢ়িব পাৰিছিল, হাত জোকাৰি শূন্যৰপৰা যিকোনো বস্তু আনিব পাৰিছিল, আৰু যিকোনো ঠাইৰ খা-খবৰ নিমিষতে ক'ব পাৰিছিল। তাৰ ফলত—নৰামক দৰ্শন কৰাৰ বাবে দূৰ-দূৰণিপৰাও দলে দলে মানুহ-মুনিহ চৌৰাই-ঢপলিয়াই আহিছিল।

আৰু আনকি এদিন দেশৰ ৰজায়ো নৰামৰ ঘৰলৈ আহি নৰামক নমস্কাৰ কৰিছিল।

কিন্তু—কিন্তু তথাপি নৰামে পোৱালি ভূতক পঢ়া-লিখা নিশিকোৱা হ'ল! কিয় যে নিশিকোৱা হ'ল, সেই কথাটো বহুদিন বহুবাৰ বহুপৰ ধৰি ভাবি ভাবিও পোৱালি ভূতে বুজি নোপোৱা হ'ল।

এদিন পোৱালি ভূতে নৰামক সুধিলে, "তুমি মোক পঢ়া-লিখা নিশিকাবানে কি? চৰ্তৰ কথা পাহৰিলাইনে? তুমি যে কথা দিছিলা মোক—?"

নৰামে এই প্ৰশ্নৰ উত্তৰত ক'লে, "তোমাৰ দয়াত এতিয়া মই আৰু একদম

সময় উলিয়াব নোৱৰা হৈ পৰিছোঁ। এতিয়া মই আৰু নতুন শিচ্ ল'ব নোৱাৰিম। গতিকে—তোমাক পঢ়া-লিখা শিকোৱাৰো মুদা মৰিল যেন পাইছোঁ।"

"শুনা, তোমাৰ সৈতে চুক্তিমতে মই মোৰ প্ৰতিশ্ৰুতি বা তোমাৰ সকলো অনুৰোধ ৰক্ষা কৰিলোঁ। এতিয়া—তুমি যদি তোমাৰ প্ৰতিশ্ৰুতি তথা চৰ্ত পালন নকৰা—বিশ্বাসঘাতকতা কৰা নহ'বনে বাৰু?" পোৱালি ভূতে ক'লে।

পোৱালি ভূতৰ প্ৰশ্নৰ উত্তৰত নৰামে ক'লে, "পঢ়া-লিখা কৰি আৰুনো কি হ'ব তোমাৰ? মোৰ লগে লগে তুমিও মান-সন্মান নাম-যহ ঢেৰ পাইছাই দেখোন!"

"মোক মান-সন্মান নালাগে, পঢ়া-লিখাহে লাগে।" পোৱালি ভূতে ক'লে।

"মোক মাফ কৰা। মই তোমাক পঢ়া-লিখা শিকাব নোৱাৰিম।" নৰামে খাৰাংখাচ কৈ দিলে।

"কেলেইহে নোৱাৰিবা?" পোৱালি ভূতে গৰ্জি উঠি ক'লে, "মোৰ কথাৰ যদি ঠিক ঠিক উত্তৰ নিদিয়া, মই তোমাৰ সৰ্বনাশ কৰিহে এৰিম।"

নৰামে কেইমুহূৰ্তমান ভাবি লৈ ক'লে, "চোৱা, তুমি মোৰ যিমানেই সৰ্বনাশ নকৰা লাগিলে—মই তোমাক পঢ়া-লিখা শিকাব নোৱাৰিম। তোমাক সঁচা কথা এযাৰ কওঁৱেই বাৰু। লিখা-পঢ়া কৰিলেই



মানুহে নোপোৱাক পাবলৈ বিচাৰে। তোমাক তোমাৰ ইচ্ছা পূৰণ লোভ দেখুৱাই মই তোমাৰপৰা সহযোগিতা পালোঁ। এই ধূৰ্তামি পঢ়া-লিখা শিকাৰ কাৰণেহে কৰিব পাৰিলোঁ মই। এতেকে—মই জানি-বুজি আৰু কাকো পঢ়া-লিখা নিশিকাওঁ, ধূৰ্ত হ'বলৈ সহায় নকৰোঁ।"

এই কথা শুনাৰ পাছত পোৱালি ভূত তাৰপৰা হঠাৎ অদৃশ্য হ'ল।

নৰামে গাঁৱৰ দহোৰাইজক মাতি আনি ক'লে, "মই এতিয়াৰপৰা এইবোৰ অলৌকিকত্বৰ ধূৰ্তামীবোৰ আৰু নকৰোঁ। অলৌকিকত্বৰ আলৈ-আহুকালত মই আৰু নাই। সাধাৰণ সুখেই অসাধাৰণ।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা! পোৱালি ভূতে নৰামৰ সৰ্বনাশ কৰিব বুলি হুমিয়ায়ো কথাখিনি শুনাৰ পাছত কিয় একো অনিষ্ট নকৰাকৈ গুচি গ'ল? আৰু নৰামেওবা তাৰ পক্ষে সুবিধাজনক অলৌকিকত্বক পৰিত্যাগ কৰি সাধাৰণৰ মাজত সাধাৰণ হৈ থাকিব বুলি কিয় কৈছিল? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জনা সত্ত্বেও যদি নিদিয়া, তোমাৰো প্ৰেতলোকলৈ গতি হ'ব, ধ্ৰুৱ জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "নৰামে যে পঢ়া-লিখাৰ বিষয়ত মোটামুটিভাৱে যে সত্য কথাকে কৈছিল, পোৱালি ভূতটোৱে সেই কথা সঠিকভাৱে উপলব্ধি কৰিয়েই নৰামৰ একো অনিষ্ট নকৰাকৈ গুচি গৈছিল। আৰু—পোৱালি ভূতৰ সহায়তা বিনে যে তাৰ পক্ষে কোনো ধৰণৰ অলৌকিকত্ব প্ৰদৰ্শন অসম্ভৱ—সেই কথাটি উপলব্ধি কৰি সাধাৰণ হোৱাৰ অভিলাস প্ৰকাশ কৰিছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



সৰ্ব্বোত্তম চাণ্ডাল

সুপ্ৰাচীনকালত উৎকলদেশত পুৰুষোত্তম দেৱ নামৰ এগৰাকী ৰজা আছিল। তেওঁ আছিল জগন্নাথ মহাপ্ৰভুৰ পৰমভক্ত। পুৰুষোত্তমদেৱৰ দৃঢ় বিশ্বাস ঃ এই উৎকল-দেশ মহাপ্ৰভু জগন্নাথদেৱৰহে দেশ, আৰু দেশৰ শাসক হ'ল জগন্নাথদেৱৰ সেৱক।

প্ৰতি বছৰ আহাৰ মাহত জগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰা হয়। এই উপলক্ষ্যে উৎকল দেশলৈ হাজাৰ-বিজাৰ মানুহ-মুনিহ আহে। স্বয়ং ৰজাই ৰথ সাৰি-পুচি চাফ-চিকুণ কৰে। তেতিয়াৰ দিনত ৰজায়ো প্ৰজাৰ দৰেই সাধাৰণ জীৱন যাপন কৰিছিল।

এবাৰ পুৰুষোত্তমদেৱ দক্ষিণদেশলৈ গ'ল। বিভিন্ন দেশ জয় কৰিব—এয়ে আছিল তেওঁৰ উদ্দেশ্য। পুৰুষোত্তমদেৱৰ কাঞ্চীদেশলৈ গ'ল আৰু সেই দেশৰ ৰাজকুঁৱৰী পদ্মাৱতীৰ ৰূপমুগ্ধ হৈ পৰিল। পদ্মাৱতী আছিল অসাধাৰণ সুন্দৰী। দূতৰ যোগেদি পুৰুষোত্তমদেৱৰ অভিপ্ৰায় জানিব পাৰি পদ্মাৱতীৰ পিতৃয়ে পদ্মাৱতীক পুৰুষোত্তমদেৱে বিবাহ কৰাত সন্মতি দিলে। পাছত পুৰুষোত্তমৰ সৈতে সাক্ষাৎ কৰিবলৈ আৰু ৰথযাত্ৰা দৰ্শন কৰিবলৈ পদ্মাৱতীৰ পিতৃদেৱ তালৈ গ'ল।

ৰথযাত্ৰাত মহা ধুমধাম। লক্ষ লক্ষ ভক্ত-পুণ্যাৰ্থীৰে সমাগম। ৰজা পুৰুষোত্তমে ৰথ সৰা-পোচাৰ কামত লাগিল। এই দৃশ্য দেখি কাঞ্চীৰাজৰ মত পৰিৱৰ্তিত হ'ল। তেওঁ তেওঁৰ দেশলৈ উভতি যোৱাৰ পাছত দূতৰ যোগেদি পুৰুষোত্তমদেৱলৈ এই বাৰ্তা প্ৰেৰণ কৰিলেঃ 'কোনোবা

'উৎকল লোক-কথা'

চাণ্ডালৰ সৈতে এগৰাকী ৰাজকুঁৱৰীৰ বিবাহ অসম্ভৱ কথা'।

এই বাৰ্তা পাই ৰজা পুৰুযোত্তমদেৱ অতিপাত ক্ৰুদ্ধ হ'ল। তেওঁ তেতিয়াই কাঞ্চীদেশ আক্ৰমণ কৰিবলৈ সিদ্ধান্ত ল'লে।

ৰজা পুৰুযোত্তমে কাঞ্চীদেশ আক্ৰমণ কৰি বিজয়ী হ'ল আৰু ৰাজকুঁৱৰী পদ্মাৱতীক বন্দী কৰিলে।

পদ্মাৱতীক বন্দী কৰাৰ পাছত কিন্তু পদ্মাৱতীক বিবাহ কৰাৰ ইচ্ছা নগ'ল পুৰুযোত্তমদেৱৰ। তেওঁ তেওঁৰ মহামন্ত্ৰীক ক'লে, "এইজনীৰ দেউতাকে মোক চাণ্ডাল বুলি উপহাস কৰিছিল। এইক কোনোবা চাণ্ডালৰ সৈতে বিয়া পতাৰ বন্দবস্ত কৰক।"

মহামন্ত্ৰীয়ে ক'লে, "আপোনাৰ আজ্ঞা পালন কৰা হ'ব, মহাৰাজ!"

কিন্তু কোমলমনা মহামন্ত্ৰীয়ে পদ্মাৱতী ৰাজকুঁৱৰীক নিজগৃহলৈ লৈ গ'ল আৰু এবছৰমান ঘৰতে লুকুৱাই ৰাখিলে।

এবছৰৰ অন্তত পুনৰ ৰথযাত্ৰা উৎসৱ আৰম্ভ হ'ল। ৰজা পুৰুযোত্তমদেৱে যথানিয়মে মহাপ্ৰভুৰ ৰথ সৰা-পোচাৰ কামত লাগি পৰিল। ঠিক তেতিয়াই মহামন্ত্ৰীয়ে কাঞ্চীদেশৰ ৰাজকুঁৱৰী পদ্মাৱতীক লগত লৈ ৰজা পুৰুযোত্তমক ক'লেগৈ, "মহাৰাজ! মোক অনুগ্ৰহ কৰি ক্ষমা কৰক। ৰাজকুঁৱৰী পদ্মাৱতীৰো প্ৰকৃত বক্তব্য এয়ে যে— আপোনাতকৈ যোগ্যৱান চাণ্ডাল এই দেশত আন ক'তো বিচাৰি পোৱা নাযাব। এতেকে—দয়া কৰি আপুনিয়েই ৰাজকুঁৱৰীক বিবাহ কৰক।"

তিমানতে কাঞ্চীৰাজৰ ওপৰত পুৰুযোত্তমদেৱৰ ক্ৰোধ কুমলি আহিছিল। তেওঁ যথাযোগ্য মৰ্য্যাদাৰে ৰাজকুঁৱৰী পদ্মাৱতীক বিবাহ কৰালে।

ৰজা পুৰুযোত্তমৰ উত্তৰপুৰুষসকলে আজিও মহাপ্ৰভুৰ ৰথ সৰা-পোচা কৰে। এয়া উৎকলদেশৰ ৰজাৰ এক পবিত্ৰ কৰ্তব্য।

কাব্য-কথা

শকুন্তলা-৩

দুৰ্বাসাৰ অভিশাপৰ ফলত দুষ্মন্তই শকুন্তলাক বিস্মৃত হোৱাত শকুন্তলা ব্যথিতা হ'ল। কিন্তু এই বেদনা উপশমৰ অন্য উপায় নাছিল। মেনকাৰ আশ্ৰমত থাকোঁতেই শকুন্তলাই পুত্ৰলাভ কৰিলে। তাৰ নাম হ'ল ভৰত।

বহু বছৰৰ পাছৰ কথা। এজন জালোৱাই গোটেই দিন ধৰি চেষ্টা কৰিও এটাও মাছ নাপালে। তাৰ পাছত, গধূলিৰ আগে আগে, তাৰ জালত এটা বিৰাট মাছ ধৰা পৰিল। দিনৰ শেষত জালোৱা ৰংমনে নিজৰ ঘৰলৈ উভতি গ'ল।



জালোৱাই বিৰাট মাছটোক কাটিকুটি ৰান্ধিবলৈ ক'লে ঘৈণীয়েকক। ঘৈণীয়েকে সেই মাছটো কটাৰ লগে লগে মাছটোৰ পেটৰপৰা আঙঠি এটা ওলাই পৰিল। সিহঁতহালে আঙঠিটোক এজন সোণাৰিৰ ওচৰত বেচিব বুলি স্থিৰ কৰিলে।



সোণাৰিয়ে যেতিয়া শুনিলে যে এই আঙঠিটো মাছৰ পেটৰপৰা পোৱা হৈছে, তেতিয়া সোণাৰি হতবাক হৈ পৰিল। ইমান মূল্যবান আঙঠি এটা কেনেকৈ যে মাছৰ পেটত থাকিব, বহু ভাবিও সোণাৰিজনে সুবুজাকৈ থাকিল।

আঙঠিটো অতি মূল্যবান। আনকি ৰজাঘৰীয়া আঙঠিও হ'ব পাৰে। এই কথা ভাবি, জালোবাকো লগত লৈ সোণাৰি ৰজা দুষ্মন্তৰ কাষ চাপিল। ৰজা দুষ্মন্তই এই আঙঠিটোৰ পিনে অবাক বিস্ময়ৰে একেথিৰে চাই ৰ'ল।



আৰু পাছ মুহূৰ্ত্ততে ৰজা দুষ্মন্তৰ মনত পৰিল শকুন্তলাৰ কথা। তিমানতে দুৰ্বাসাৰ অভিশাপ বিনষ্ট হৈছিল। সোণাৰি, আৰু জালোবাক যথাযোগ্য উপহাৰ-পুৰস্কাৰ দিয়াৰ অন্তত ৰজা দুষ্মন্তই শকুন্তলাক লৈ আহিবলৈ ভালে-মানক কণ্বমুনিৰ আশ্ৰমলৈ পঠালে।

কিন্তু কন্বমুনিৰ আশ্ৰমত শকুন্তলাক পোৱা নগ'ল। তেতিয়া ৰজা দুষ্মন্ত উন্মাদপ্ৰায় হৈ উঠিল আৰু তেওঁ যেনে-তেনে শকুন্তলাক বিচাৰি উলিয়াবলৈ চাৰিওফালে মানুহ পঠালে। কিন্তু তন্ন তন্নকৈ বিচাৰিও কোনেও প্ৰিয়তমা পত্নী শকুন্তলাক বিচাৰি নোপোৱা হ'ল।



এদিন দুষ্মন্ত চিকাৰলৈ ওলাল। গভীৰ অৰণ্যত এটি বালকে সিংহৰ সৈতে খেলি থকা দেখি ৰজা দুষ্মন্ত অতিপাত বিস্মিত আৰু অত্যন্ত অভিভূত হ'ল।

অশ্বৰপৰা নামি আহি ৰজা দুষ্মন্ত সেই বালকটিৰ কাষ চাপিল আৰু তাক তাৰ পৰিচয় সুধিলে। সেই বালকটিয়ে ৰজা দুষ্মন্তক সিহঁতৰ ঘৰলৈ লৈ গ'ল।



পুত্ৰ ভৰতৰ সৈতে পতি দুষ্মন্তক আশ্ৰমৰ সমুখত থিয় হৈ থকা দেখি শকুন্তলা শিলহেন থিয় হৈ থাকিল। কিন্তু কেই-মুহূৰ্তমানৰ পাছতে শকুন্তলাই দুৰ্বাসা-মুনিৰ অভিশাপৰ কথা সুঁৱৰি এই সপোনহেন ঘটনাৰ কথা বুজি পালে।

তাৰ পাছত ৰজা দুষ্মন্তই যথাযোগ্য মৰ্য্যাদাৰ শকুন্তলাক হস্তিনাপুৰলৈ লৈ গ'ল আৰু যথোচিত আড়ম্বৰে ৰাণী ৰূপে বৰণ কৰিলে। ৰাজধানীত মহোৎসৱ পতা হ'ল। ৰজা দুষ্মন্তৰ জীৱনত এক নতুন আনন্দৰ সোঁত ব'বলৈ ধৰিলে।





ৰজা দুষ্মন্তৰ ৰাজত্বৰ অন্তত পুত্ৰ ভৰত হস্তিনাপুৰৰ সিংহাসনত অধিষ্ঠিত হৈছিল আৰু প্ৰজাপালক ৰূপে যথেষ্ট সুখ্যাতি তথা গৌৰৱ অৰ্জন কৰিছিল। ভৰতৰ নামানুসাৰেই আমাৰ এই দেশৰ নাম 'ভাৰত' হোৱা বুলি কোৱা হয়। [অন্ত]

আইতাৰ আওকিল

প্ৰাচীনকালত কোনোবা এখন গাঁৱত সাতাৰাম নামৰ এগৰাকী পণ্ডিতে তেওঁ ছাত্ৰইঁতক শিক্ষাদান কৰি যিখিনি আৰ্জিছিল, সেই আৰ্জনৰপৰা সৰ্বমুঠ পাঁচশ টকা সাঁচিছিল। এইখিনিয়েই আছিল তেওঁৰ ভৱিষ্যতৰ আশা, দুখৰ দিনত ভৰসা! আন কোনোবিধৰ ধন-সম্পদ তেওঁৰ নাছিল।

এবাৰ কাশীত এক বিৰাট শিক্ষামেলা পতা হ'ল আৰু সীতাৰাম পণ্ডিতকো তাত যোগ দিবলৈ আমন্ত্ৰণ কৰা হ'ল।

কাশীলৈ ৰাওনা হোৱাৰ আগে আগে সীতাৰাম পণ্ডিত এটা কথাত বৰ চিন্তান্বিত হৈ উঠিল। সীতাৰাম পণ্ডিতে ভাবি থাকিল যে টকা পাঁচশ ক'ত থৈ যাব।

ঘৰতে থৈ যোৱাটোকে খাটাং কৰি কথাটো। পৰিবাৰক কোৱাত পৰিবাৰে ক'লে, "তুমি আন ক'ৰবাত থৈ যোৱা, মই দিনে-নিশাই টকাখিনি পৰ দিব নোৱাৰিম। একমাত্ৰ কুকুৰেহে দিনে-ৰাতি সাৰে থাকি পৰ দিব পাৰে। ৰাতিৰ পৰতে যদি চোৰে মোক মাৰি টকাখিনি লৈ যায়—কৰিবলগা একো নাই।"

শুনাত বেয়া যেন লাগিলেও—পৰিবাৰে যে সঁচা কথাকে কৈছে, সেই কথা পণ্ডিত সীতাৰামে মানি ল'লে।

ভাবি ভাবি সীতৰাম পণ্ডিত তেওঁৰ বন্ধুস্থানীয় কমলেশ্বৰৰ কাষ চাপিল আৰু এই সমস্যাৰ কথাটো ক'লে।

শুনি কমলেশ্বৰে ক'লে, "চোৱা, বন্ধু সীতাৰাম, এই টকা — মই নাৰাখোঁ। কিয়নো—শাস্ত্ৰৰ বচন জানাই, অৰ্থমনৰ্থম্।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

মানে—অৰ্থ হ'ল অনৰ্থৰ মূল।"

কমলেশ্বৰ আছিল ঘিঁউৰ বেপাৰী। যেতিয়া দুয়ো কথা পাতি আছিল, তেতিয়া, কমলেশ্বৰৰ কৰ্মচাৰী এজনে ঘিঁউ বেচি পইচা লৈ আছিল এজন গ্ৰাহকৰপৰা।

গ্ৰাহকজন আঁতৰ হোৱাৰ পাছত কমলেশ্বৰে তাৰ কৰ্মচাৰীজনক ক'লে, "হেৰা তুমি এই গ্ৰাহক ভদ্ৰলোকৰপৰা দহ পইচা বেছি দাম আদায় কৰিলা কিয় ? এইদৰে গ্ৰাহকক নঠগিবলৈ তোমাক মই কিমান কৈছোঁ কোৰচোন ? পাপৰ পইচা পৰাচিততে যায় যে—উৎপাতৰ পইচা যে চিৎপাতত্তে যায়—জানানে নাজানা ? এই গ্ৰাহকজন পুনৰ যেতিয়া আহিব, তেওঁক এই পইচাখিনি তুমি অতি অৱশ্যেই ঘুৰাই দিবা কিন্তু।"

সীতাৰামে ভাবিলেঃ বাস্তৱিক—কমলেশ্বৰৰ সততাৰ তুলনা নাই।

তাৰ পাছত সীতাৰামে সেই পাঁচশ টকা ঘৰৰপৰা লৈ আহিল, আৰু কমলেশ্বৰক টকাকিনি ৰাখি থৈ'বলৈ ক'লে।

কমলেশ্বৰে ক'লে, "শুনা বন্ধু, তোমাৰ টকা মই হাতেৰে নোছোওঁ। তথাপি যদি ৰাখিবই খুজিছা, ঘৰৰ যিকোনো ঠাইত মাটি খান্দি পুতি থৈ যোৱা, কাশীৰপৰা উভতি আহি নিজৰ টকা আকৌ নিজেই উলিয়াই ল'বা। আনৰ টকা হাতেৰে ছুলেও পাপ হয়। তুমি নিজেই থৈ যোৱা, নিজেই লৈ যোৱা।"

তাৰ পাছত সীতাৰাম কাশীলৈ গ'ল, শিক্ষামেলাত যোগ দিলে, উভতি আহিল কিছুদিনৰ অন্তত। আহি কমলেশ্বৰক ক'লে, "বন্ধু, মই মোৰ টকাখিনি গাঁতৰ-পৰা উলিয়াই লৈ যাওঁ?"

"মোক সুধিব নালাগে নহয়। তোমাৰ টকা তুমি নিবা, সোধন-পোছনৰ আৱশ্যক্ নাই।" কমলেশ্বৰে ক'লে।

কিন্তু সেই ঠাই খান্দি সীতাৰামে টকাৰ টোপোলাটো নাপালে। এই বিষয়ে

কমলেশ্বৰক সোধাত কমলেশ্বৰে সীতাৰামক ক'লে যে সি একো ক'ব নোৱাৰে।

আৰু কঁকাল কটাটো হৈ, সীতাৰাম তলমূৰ হৈ গুচি গ'ল। কমলেশ্বৰক সীতাৰামে একো ক'ব নোৱাৰিলে। কিয়নো, কমলেশ্বৰৰ হাতত তো টকাখিনি দিয়া নাছিল। এইদৰে ঠগ খোৱাৰ কথা ভাবি ভাবি, তলমূৰ হৈ গৈ থাকোঁতে বাটত বুঢ়ী এগৰাকীয়ে সীতাৰামক ক'লে, "কিহে বোপা, তুমি কাশীৰপৰা কেতিয়া ঘুৰিলা ? পিছে—তোমাৰ হ'ল কি কোৱাচোঁ ? তোমাৰ মুখখন ইমান ক'লা-মলা পৰিছে কিয় কোৱাচোঁ ?"

সীতাৰামে মনৰ দুখতে বুঢ়ীক সকলো কথা ভাঙি-পাতি ক'লে।

শুনি বুঢ়ীয়ে সীতাৰামক ক'লে, "তুমি চিন্তা নকৰিবা, মই যি কওঁ শুনা, আৰু সেইমতে কাম কৰা। কলিৰ নাৰকী কমলৰপৰা টকাখিনি আদায় কৰা হ'ব।"

বুঢ়ীয়ে তাৰ পাছত সীতাৰামক ফুচফুচাই কিছুমান কথা ক'লে।

পাছদিনা, এইজনী বুঢ়ীয়ে হাতত সৰু টোপোলা এটা লৈ কমলেশ্বৰক ক'লেগৈ, "বোপাটি মোৰ, মোৰ ল'ৰাটো দুবছৰমানৰ আগতে কাশীলৈ গ'ল। এই দুবছৰতো তাৰ কোনো খা-খবৰ নাপালোঁ। ইপিনে— মই যে তালৈ গৈ তাক বিচাৰিম—তাৰো উপায় নাই। যি কি

নহওক—তথাপি এবাৰ কাশীলৈ যাম। মোৰ এই গহনা-পাতিখিনি তোমাৰ ওচৰত থৈ যামহে বোপাটি ! ৰাইজে কয়—কমলে টকাটো দলিটো যেন দেখে।"

বুঢ়ীৰ কথা শুনি আৰু গহনাখিনি দেখি কমলেশ্বৰৰ মনত উখল-মাখল। সীতাৰামৰ কথা নিশ্চয় বুঢ়ীয়ে গম নাপায়। সি সীতাৰামক কোৱা দি বুঢ়ীকো ক'লে, "আইতা, আপোনাৰ সোণৰ গহনাখিনি মই হাতেৰে নোছোওঁ। আপুনি মোৰ ঘৰৰ সীমাত যিকোনো ঠাইত পুতি থওক।"

এনেতে হঠাৎ সীতাৰাম তাত উপস্থিত হ'লহি। সীতাৰামে ক'লে, "কমল, মই যে মোৰ টকাখিনি কোনখিনিত পুতি থৈছিলোঁ—এতিয়া মনত পৰিছে।"

কমলেশ্বৰে ভাবিলে : সীতাৰামৰ কথা যদি বুঢ়ীয়ে যদি গম পায়—তেনেহ'লে—বুঢ়ীৰ গহনা আৰু নাপাওঁ। বুঢ়ীৰ গহনাখিনি কমেও পাঁচহাজাৰ। গতিকে সীতাৰামৰ সামান্য টকাওভোতাই দিয়াই ভাল। —এই কথা ভাবি সি সীতাৰামক ক'লে, "সীতাৰাম, টকাৰ টোপোলাটো মই বিচাৰি পালোঁ। এয়া লোৱা।"

তেতিয়া বুঢ়ীয়ে সীতাৰামক সুধিলে, "বোপা সীতাৰাম, তুমি বোলে কাশীলৈ গৈছিলা শুনিলোঁ ? গৈছিলা যদি মোৰ ল'ৰাটোক তাত লগ পাইছিলানে ?"

সীতাৰামে বুঢ়ীক ক'লে, "ওঁ, ওঁ, আইতা—তাক লগ পাইছিলোঁ তাত। সি এমাহমানৰ পাছত আহিব।"

"ৰক্ষা কৰিলা বোপাই !" বুঢ়ীয়ে স্বস্তিৰ উশাহ এৰাৰ ভাও জুৰি ক'লে, "তেনেহ'লে মই আৰু কাশীলৈ নাযাওঁ।" এই বুলি কৈ, গহনাখিনি কমলেশ্বৰৰ ওচৰত নোথোৱাকৈয়েই বুঢ়ী তাৰপৰা গুচি গ'ল।

বুঢ়ীৰ লগে লগে সীতাৰামো গৈ থাকিল। আৰু কাবু হৈ পৰা কমলেশ্বৰে চাই থাকিল...চায়েই থাকিল।

কৃষ্ণাৱতাৰ

৮

চাওঁতে চাওঁতে দামুৰিবিলাক ডাঙৰ হৈ উঠিল। এই বছৰ জোখে-জোখাৰে বৰষুণো দিলে আৰু তাৰ ফলত খেতি-পথাৰবোৰ শস্যেৰে নদন-বদন হৈ উঠিল।

বাৰিষাৰ অন্তত শৰতকাল আহিল। গৰখীয়াহঁতে ইন্দ্ৰোৎসৱ পাতিব বুলি স্থিৰ কৰিলে আৰু লগে লগে তাৰ বাবে যা-যোগাৰো কৰিবলৈ ধৰিলে।

কৃষ্ণই গৰখীয়াহঁতক কলে, "তোমালোক কিহৰ কাৰণে ইমান ব্যস্ত হৈছা? কিহৰ উৎসৱ পাতিছানো? যিগৰাকী দেৱতাৰ নামত উৎসৱ পাতিছা, সেই দেৱতা গৰাকীয়ে তোমালোকৰ কিবা উপকাৰ কৰিব পাৰিব বুলি ভাবানেকি?"

গৰখীয়াহঁতৰ মাজত বয়সিয়ালজনে কৃষ্ণক ক'লে, "চোৱাঁ গোপা, ইন্দ্ৰ হ'ল লোকপালকহঁতৰ ৰজা। তেওঁৰ অনুগ্ৰহতে ইমান বৰষুণ হৈছে, খেতি-খোলা ভালৰো ভাল হৈছে। আমাৰ দামুৰিবিলাকেও এইবেলি পেট পূৰাই কোমল কোমল ঘাঁহ খাবলৈ পাইছে। সেয়েহে আমি ইন্দ্ৰোৎসৱ পাতিছোঁ।"

এই কথা শুনি কৃষ্ণই ক'লে, "মানুহৰ মাত্ৰ তিনিটাহে ধৰ্ম। খেতি-বাতি কৰা, বেহা-বেপাৰ কৰা আৰু পশু-পালন কৰা। আমি হ'লোঁ ৰাখোৱাল, পশু-পালনেই হ'ল আমাৰ একমাত্ৰ কাম। য'ত ঘাঁহ-বন, তাতে আমি আমাৰ গাই-দামুৰি

'গোবৰ্ধন উদ্ধাৰ'

চৰাওঁ। আমাৰ দেৱতা হ'ল অৰণ্য, পৰ্বত আৰু পশু। প্ৰত্যেকেই নিজ নিজ কুল-দেৱতাক পূজা কৰা উচিত। কৃষকসকল গাঁৱত থাকে, আমি থাকোঁ বন-জংগল, পাহাৰ-পৰ্বতত। ব্ৰাহ্মণসকলে মন্ত্ৰ পাঠ কৰি যজ্ঞ কৰে, কৃষকে বায় হাল, তেওঁলোকৰ হাতিয়াৰ হ'ল নাঙল। ৰাখোৱালইঁতে অৰণ্যোৎসৱ বা পৰ্বতোৎসৱ পতা উচিত। মই কোৱা মতে তোমালোকে কাম কৰা উচিত। কাম নকৰা যদি, মই তোমা-লোকক সেই কাম কৰিবলৈবাধ্য কৰিম।"

*

তেতিয়া গৰখীয়াইঁতে কৃষ্ণৰ কথামতে কাম কৰিবলৈ মান্তি হ'ল আৰু ইকথা-সিকথা ভাবি-গুণি কৃষ্ণকে নেতা পাতিলে।

*

কৃষ্ণ হ'ল ৰাখোৱাল তথা গৰখীয়াইঁতৰ নেতা। নেতৃত্ব গ্ৰহণ কৰি কৃষ্ণই গৰখীয়া-ইঁতক বহু বাৰ বহু ধৰণৰ বিপদৰপৰা উদ্ধাৰ কৰিছিল আৰু সৎকৰ্ম কৰি সিইঁতৰ মন জয় কৰিবলৈ সক্ষম হৈছিল।

*

কৃষ্ণৰ কথামতে গৰখীয়াইঁতে ইন্দ্ৰোৎসৱ পৰিত্যাগ কৰি 'গিৰিযজ্ঞ' অৰ্থাৎ পৰ্বতোৎসৱ পাতিছিল। গোবৰ্ধন পৰ্বতক আগুৰি লৈ মহোৎসৱ আৰম্ভ হৈছিল। গোবৰ্ধন পৰ্বতৰ ওচৰত এডোখৰ ঠাই চাফ-চিকুণ কৰি, আলিপন আঁকি, কৃষ্ণৰ পৰিচালনাত উৎসৱ পতা হ'ল। ব্ৰাহ্মণৰ দ্বাৰা যাগ-যজ্ঞ হোৱাৰ লগতে নৃত্য-গীতো চলি থাকিল।

*

গৰখীয়াইঁতে কৃষ্ণক বাঁহী বাদনৰত অৱস্থাত পৰ্বতচূড়াত দেখা পাই বিমোহিত হ'ল।

তাৰ পাছত কৃষ্ণই উৎসৱৰ প্ৰসাদ খাই কলে, "তোমালোকৰ ভক্তিৰ পৰিচয় পাই মই তুষ্ট হৈছোঁ। তোমালোকৰ সুন্দৰ আন্তৰিকতাৰে মই প্ৰকৃততেই মুগ্ধ।"

*

কৃষ্ণৰ কথাৰ উত্তৰত গৰখীয়াইঁতে ক'লে,

"হে দেৱ! আমি তোমাৰ দাসানুদাস, তোমাৰ নিৰ্দেশলৈ আমি সদায় প্ৰস্তুত হৈ থাকোঁ। এতিয়া কি কৰিব লাগিব কোৱা, আমি তোমাৰ আদেশ মূৰ পাতি ল'বলৈ আজ্ঞামতে আদেশ পালন কৰিবলৈ সদায় প্ৰস্তুত।"

"মই পৰ্বতৰ ৰূপত থাকিম। তোমালোকে মোকেই দেৱতাৰূপে মান্য কৰিব পাৰা। মোক মানি চলিলেই তোমালোকৰ সকলো বাসনা পূৰণ হ'ব, গাভীৰ সংখ্যা বৰ্দ্ধিত হ'ব, ধনে-জনে শস্যে-সামগ্ৰীয়ে গৃহ পূৰ্ণ হ'ব।" এই বুলি কোৱাৰ পাছ মুহূৰ্ততে তাৰপৰা কৃষ্ণ অদৃশ্য হ'ল।

*

যিজন কৃষ্ণক ৰাখোৱালহঁতে পৰ্বতচূড়াত দেখা পাইছিল, একে সময়তে সেইজন কৃষ্ণকে পৰ্বতৰ নামনিত দেখা পাই কৃষ্ণৰ ঐশ্বৰিকত্ব সম্পৰ্কে সকলোটি নিঃসন্দেহ হ'ল। এই ঘটনাৰ পাছৰপৰা গৰখীয়াহঁতে কৃষ্ণকে একমাথোন ঈশ্বৰৰূপে পূজি থাকিল।

*

আৰু এইবোৰ বাতৰিয়ে যেতিয়া স্বৰ্গ পালেগৈ, তেতিয়া ইন্দ্ৰ অগ্নিসম ক্ৰুদ্ধ হৈ উঠিল। তেতিয়া ইন্দ্ৰই মেঘমালাসমূহক মতাই অনাই ক'লে, "বৃন্দাৱনৰ অধিবাসীসকলে মোক শ্ৰদ্ধাৰে সৈতে পূজা কৰাৰ কথা তোমালোকে জানাই; কিন্তু এই বেলি সিহঁতে মোক পূজা কৰাৰ সলনি সেই কৃষ্ণকহে পূজা কৰিলে। কেৱল পূজা নহয়, দস্তুৰমত উৎসৱ পাতিলে। এয়া মোৰ পক্ষে যে অত্যন্ত অপমানৰ কথা, তোমালোকক নিশ্চয় বুজাই ক'ব নালাগে। এয়া অসহ্য। গতিকে মোৰ বক্তব্য হ'ল— তোমালোকে বৃন্দাৱনত একেৰাহে সাতদিন ধৰি কলহৰ কাণে ঢালিবা, যাতে ঢলনি পানীৰে বেটাহঁতৰ সমস্ত শস্য উটি-ভাহি পঁচি-গেলি যায় আৰু সিহঁত আলাই-আথানি হয়। এই বৰষুণ হ'ব যাক বোলে ছেদভেদ নোহোৱা বৰষুণ। পানীও

হ'ব লাগিব যাক বোলে সাগৰে নধৰা পানী। সিহঁত খাবলৈ নাপাই তিলে তিলে পলে পলে মৰক—ইয়াকেহে মই বিচাৰোঁ। মই তোমালোকৰ হৈ তোমালোকক ৰক্ষা কৰিম, চিন্তা নকৰা। তোমালোকৰ ভাল-বেয়াৰ বিচাৰ মোৰ ওপৰত এৰি দিয়া, সেই দায়-দায়িত্ব মোৰ। তোমালোকে বেটাহঁতক কেনেকুৱা শিক্ষা দিব পাৰা, মই দেখি আৰু লেখি থাকিম।

*

ইন্দ্ৰৰ আদেশত মেঘমালাসমূহ তৎক্ষণাৎ ধাৰমান হ'ল বৃন্দাৱনলৈ বুলি। নিহঁত একেলগ হৈ গৈ থাকোঁতে এনে লাগিল—যেনিবা এয়ে শেষ প্ৰলয়ৰ দিন সমাগত!

*

ৰাখোৱালহঁতে লক্ষ্য কৰিলে যে ঈশান কোণত ক'লীয়া মেঘে আন্দোল-দোল লগাইছে। আৰু চাওঁতে চাওঁতে ধুমুহাই ক্ৰুদ্ধভাৱে গৰজি উঠি চাৰিওদিশ এন্ধাৰেৰে আবৰি ধৰিছে। আৰু তাৰ পাছত আৰম্ভ হ'ল এদিন-এমুহূৰ্তো নোৰোৱা মুষলধাৰ একেবাৰে অন্তহীন বিৰামহীন বৰষুণ!

*

এইদৰে একেৰাহে ছেদভেদ নোহোৱাকৈ সাতদিন সাতৰাতি বজ্ৰ-বৰষুণ চলি থাকিল। ল'ৰা-বুঢ়াহঁত মৰোঁ মৰোঁ হ'ল। পোক-পৰুৱাবোৰে গছৰ ওপৰলৈ গতি কৰিলে। বেলি যেনিবা জগতৰপৰা নোহোৱা হ'ল। সিহঁতৰ জীৱন যে বিপদাপন্ন—সেই কথাত গৰখীয়াহঁতৰ অলপো সন্দেহ নাথাকিল। গছ-গছনিবোৰ উটি-ভাহি গ'ল। গাভী-ছাগলীবোৰ পানীৰ সোঁতত উটি গ'ল। এতিয়া বৃন্দাৱন যেনিবা সীমাহীন সাগৰ!

*

বৃন্দাৱনৰ দুৰৱস্থাৰ সীমা-পৰিসীমা নাছিল। অসংখ্য গাই-গৰু মানুহৰ চকুৰ আগত অসহায়ভাৱে মৰিল! আনকি শিশুহঁতৰ কাৰণেও এটুপি গাখীৰ ক'তো-কেনিও পোৱা নগ'ল। বৃন্দাৱনত দুখ-



দুৰ্গতিয়ে ভয়ংকৰ আকাৰধাৰণ কৰিলে।

*

এনে অৱস্থাত বয়সস্থ গৰখীয়াইঁতে কৃষ্ণক ক'লে, "হে কৃষ্ণ! আমাক এই দুৰাৱস্থাৰপৰা একমাথোন তুমিহে ৰক্ষা কৰিব পাৰিবা। এনেহেন বিপদত তুমি বিনে আমাৰ ৰক্ষাকৰ্তা আন নাই।"

*

এইবোৰ যে ইন্দ্ৰৰ অপকৰ্ম, কৃষ্ণই সেই কথা বুজি পালে। ৰাখোৱালইঁতে ইন্দ্ৰক নুপূজি কৃষ্ণক পূজিলে বুলিয়েইহে যে ইন্দ্ৰই এই দুৰ্বিপাকৰ সৃষ্টি কৰিলে, সেই কথাত কৃষ্ণৰ মনত সন্দেহ নাথাকিল।

কৃষ্ণই ভাবিলেঃ এইবোৰ দুৰ্য্যোগ-দুৰ্বিপাকেৰে ইন্দ্ৰই মোক অপদস্থ কৰিব খুজিছে। —এই কথা ভাবি, কৃষ্ণই গোৱৰ্ধন পৰ্বতক অধিক ওখ কৰি তাৰ তলত গৰখীয়া আৰু সিহঁতৰ গাভীবিলাকক সুৰক্ষিত কৰাৰ কথা মণতেস্থিৰ কৰিলে।

*

কৃষ্ণই গোৱৰ্ধন পৰ্বতক হাতেৰে দাঙি ধৰোঁতে পৰ্বতৰপৰা বিৰাট বিৰাট শিলৰ চটাবোৰ সশব্দে তললৈ বাগৰি পৰিল। পৰ্বতৰ গুহাৰ ভিতৰত থকা সিংহবোৰ আৰু বিভিন্ন গুহা তথা খোৰোঙত থকা সাপবোৰ বাহিৰলৈ ওলাই আহিল। গুহাবোৰত যিসকল ঋষি তপস্যামগ্ন আছিল, তেওঁলোকৰ তপস্যা ভংগ হ'ল।

*

গোৱৰ্ধন পৰ্বতক হাতৰ ওপৰত দাঙি লৈ কৃষ্ণই সদৌ গোকুলবাসীক ক'লে, "তোমালোকে এই পৰ্বতৰ তলত আশ্ৰয় গ্ৰহণ কৰাঁহি।" কৃষ্ণৰ আহ্বান পোৱামাত্ৰেই ৰাখোৱালইঁতে পা-পৰিয়ালে সেই পৰ্বতৰ তলত আশ্ৰয় ল'লেহি। ৰাখোৱালইঁতে সিহঁতৰ পশু-পক্ষীবোৰো তালৈ লৈ আহিল।

*

একেলালীয়ে সাতদিন-সাতৰাতি মুষলধাৰ বৃষ্টি দিয়াৰ অন্তত ইন্দ্ৰৰ আদেশত



মেঘমালাসমূহ বৃন্দাৱনৰপৰা গুচি গ'ল। আৰু লগে লগে আকাশখন আগৰদৰে ফৰকাল হৈ পৰিল। গৰখীয়াইঁতে গোৱৰ্ধন পৰ্বতৰ তলত নিশ্চিন্ত আশ্ৰয় ল'লে। আৰু গোৱৰ্ধন পৰ্বতৰ চূড়াত বহি শক্তিমান কৃষ্ণই সকলোতে সাৱধানী দৃষ্টিৰে অৱলোকন কৰিবলৈ ধৰিলে।

*

এইদৰে, সাতদিন-সাতনিশা নেৰা-নেপেৰা বৰষুণ দিলেই গৰখীয়াইঁতে তেওঁৰ ভৰিত ধৰি ক্ষমা খুজিব আৰু দীঘল দি পৰি পূজিব বুলি ইন্দ্ৰই গছত কঁঠাল ওঁঠত তেল সানিছিল। কিন্তু কৃষ্ণৰ কাণ্ড চাই তেওঁৰ মুণ্ড আচন্দ্ৰাই কৰি উঠিল। ইন্দ্ৰৰ মনত ভয় সোমাল। তেওঁ তৎক্ষণাৎ বজ্ৰায়ুধ হাতত লৈ ভূলোকলৈ গ'ল আৰু তাত গোৱৰ্ধন পৰ্বতৰ চূড়াত বহি থকা কৃষ্ণক দেখা পালে। কৃষ্ণও যে দেৱতা, সেই কথাটি ইন্দ্ৰৰ জ্ঞাত হ'ল, আৰু তেতিয়া ইন্দ্ৰই তেওঁৰ বাহন ঐৰাৱতৰপৰা নামি আহি কৃষ্ণক বিনম্ৰ প্ৰণাম কৰিলে।

*

কিন্তু কৃষ্ণই ইন্দ্ৰলৈ ঘূৰিও নোচোৱা হ'ল। কৃষ্ণ যে তেওঁৰ ওপৰত অত্যন্ত ক্ৰুদ্ধ, সেই কথা বুজাত ইন্দ্ৰই টান নাপালে। তেতিয়া ইন্দ্ৰই স্তৱযোগে কৃষ্ণক তুতি-নতি কৰি, অৰ্চনা কৰি, কৃতকৰ্মৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলে। কিন্তু তথাপি কৃষ্ণ কোমল নহ'ল। কৃষ্ণ ইন্দ্ৰৰ প্ৰতি বিতুষ্ট হৈয়েই থাকিল।

*

বিভিন্নভাৱে কৃষ্ণক তুষ্ট কৰাৰ চেষ্টা-প্ৰচেষ্টা কৰাৰ অন্তত ইন্দ্ৰই কৃষ্ণক ক'লে, "হে কৃষ্ণ! কংস বাদেও অন্যান্য বহুতো ৰাক্ষসে তোমাৰ অনিষ্ট কৰাৰ বাবে সততে সচেষ্ট। তুমি কংসক বধ কৰি ৰজা হ'বা। ধৰ্মৰাজ যুধিষ্ঠিৰ, ভীম আৰু অৰ্জুনকো ময়ে সৃষ্টি কৰিছিলোঁ। অৰ্জুন হ'ব তোমাৰ বিশিষ্ট ভক্ত। কৌৰৱ আৰু

পাণ্ডৱসকলৰ মাজত যেতিয়া যুদ্ধ লাগি পৰিব, তেতিয়া প্ৰতি মুহূৰ্ততে অৰ্জুনক সৎ পৰামৰ্শ প্ৰদান কৰি তুমি পৰিচালনা কৰিবাঁ। তোমাৰ নিৰ্দেশমতে যুদ্ধ কৰি অৰ্জুন বিজয়ী হ'ব। তোমাৰ পৰিচালনাৰ গুণত অৰ্জুনৰ জয় হওক।"

*

ইন্দ্ৰৰ কথাৰ উত্তৰত কৃষ্ণই ক'লে, "পাণ্ডৱসকল হ'ল প্ৰকৃত দেৱতাৰ অংশ। ভৱিষ্যতত তেওঁলোকেই হ'ব সমগ্ৰ ভূমিৰ অধিপতি, আৰু তেওঁলোকৰ মাজত অৰ্জুন হ'ব শৌৰ্য্য-বীৰ্য্যত অতুলনীয়। এইবোৰ কথা ময়ো আগতে জানো। তথাপি যে তুমি স্বৰ্গৰপৰা ভূলোকলৈ নামি আহিছা, তাৰ বাবে মোৰ ধন্যবাদ গ্ৰহণ কৰা। এতিয়া তুমি নিশ্চিন্ত মনেৰে তোমাৰ স্বৰ্গলৈ উভতি যাব পাৰা।"

*

ইন্দ্ৰই কৃষ্ণৰ চৰণত প্ৰণাম কৰি, প্ৰদক্ষিণ কৰি, বাহন ঐৰাৱতত উঠি, পুনৰ স্বৰ্গলৈ গুচি গ'ল। আৰু তাৰ পাছত কৃষ্ণও সেই গোৱৰ্দ্ধন পৰ্বতৰপৰা নামি আহিল।

*

আৰু তেতিয়া ৰাখোৱাল তথা গৰখীয়াহঁতে কৃষ্ণক ক'লে, "হে কৃষ্ণ! প্ৰকৃততে তুমি কোন চোৱাচোন? দেখাত আমাৰ নিচিনা সাধাৰণ হ'লেও তুমি যে অসাধাৰণ, সেই কথাত আমাৰ মনত তিলমানো সন্দেহ নাই। কিন্তু—তোমালৈ আমাৰ অকৃত্ৰিম শ্ৰদ্ধাৰ লগতে আমাৰ মনত তোমাৰ প্ৰতি ভয়ো সোমাইছে।"

*

কৃষ্ণই মিঠাকৈ হাঁহি মাৰি ক'লে, "ময়ো তোমালোকৰে এজন। আৰু ময়ো এজন অকৃত্ৰিম ৰাখোৱাল। মোৰ সম্পৰ্কে ইমান ভবা-গুণা কৰাৰ একো নাই। মই সাধাৰণৰো সাধাৰণ মানৱ।" কৃষ্ণৰ কথা শুনি ৰাখোৱালবৰ্গ পৰম তুষ্ট হ'ল।



মহৎপ্ৰাণৰ মূল্য

দবা-পিটা বৰষুণৰ হাত সাৰিবলৈ জগন আৰু মগন এটা এৰাবাৰীত সোমালগৈ। আৰু এনেহেন বতৰত, এনেকুৱা এৰা-বাৰী এটাত আন্ধাৰে-মুন্ধাৰে গাভৰু ছোৱালী এজনীক বহি থকা দেখি অলপ আচৰিত নহৈ নোৱাৰিলে সিহঁত।

জগনে সেই গাভৰুজনীলৈ চাই চাই মগনক ক'লে, "এস্! এতিয়া ধুমুহা উঠে যদি—হ'ল আৰু। ইয়াৰপৰা ওলাবই নোৱাৰিম তেতিয়া।"

জগনৰ কথাৰ উত্তৰ মগনে নৌ দিওঁতেই সেই যুৱতীয়ে কৈ উঠিল, "মই অৱশ্যে ইয়াৰপৰা—ধুমুহা উঠক-নুঠক—নোলাওঁ। জীৱনৰ প্ৰতি মোৰ আৰু আকৰ্ষণ নোহোৱা হৈছে। মই প্ৰাসাদৰ অন্তেষপুৰৰ সেই বন্দী পৰিবেশৰপৰা ওলাই আহি, বৰষুণত তিতি, ইয়াত সোমাইছোঁহি। মই আত্মঘাতী হ'ম। আত্মহত্যায়েই মোৰ শান্তিৰ একমাত্ৰ উপায়।"

যুৱতীৰ কথা শুনি জগন-মগন মকৰা হিচাপত লাগিল। কথানো কি? মগনে তাইক মিঠা মাতেৰে সুধিলে; "প্ৰাসাদত কি হৈছিল? তুমি আত্মঘাতী হ'বা কিয়?"

কেইখন্তেকমান নিমাতে থকাৰ অন্তত যুৱতীয়ে ক'লে, "ৰজা আৰু ৰাণীয়ে মিলি আজি মোৰ বিয়া পাতিব বুলি খাটাং কৰিছিল। যিটোৰ লগত বিয়া—সেইটো হ'ল আমাৰ খেতি-পথাৰত কাম কৰা বনুৱা এটা। এই মানুহটোৰ নাম হ'ল শিৱানন্দ। মই আমাৰ ৰজাক ক'লোঁ যে মই এটা খেতি-বনুৱাৰ পুতেকক বিয়া নকৰাওঁ। ৰজাই মোৰ কথাত কি ক'লে

মনোহৰ গোস্বামী



জানে— ? ৰজাই ক'লে, 'তুমি শিৱানন্দৰ ওচৰত ঋণী ! সেই ঋণ পৰিশোধৰ বাবেহে শিৱানন্দৰ পুত্ৰৰ সৈতে তোমাৰ যোৰা পতাৰ বন্দৰস্ত কৰিছোঁ। শিৱানন্দৰ পুত্ৰক তুমি বিয়া কৰোৱা উচিত বুলি মই ভাবোঁ'। ভাবি চাওক—মই জমিদাৰৰ ছোৱালী। আমাৰ মাটিত খাটি খোৱা কাৰোবাৰ সৈতে মোৰ বিয়া হ'ব পাৰেনে?"

তেতিয়া জগনে সুধিলে তাইক, "তুমি বাৰু জমিদাৰ ভূপতি চৌধাৰীৰ ছোৱালীনে? তোমাৰ নাম পমিলীনে কি?"

পমিলী অৰ্থাৎ প্ৰমীলাই জগনৰ কথাৰ উত্তৰত মূৰ দুপিয়ালে। তেতিয়া জগনে পুনৰ ক'লে, "তোমাক মাৰি পেলোৱাৰ বাবে কম চেষ্টা হোৱা নাই। আনকি—তুমি শুনি চাগে' ভয়হে খাবা, তথাপি কওঁ—তোমাক মাৰি পেলোৱাৰ চেষ্টা কৰাহঁতৰ মাজত আমিও আছোঁ, আমি এই দুয়োজনেই। সেই কাম কৰিবলৈ ধৰোঁতে ধৰা পৰি ফাটেক খাই—আজিহে মাত্ৰ ফাটেকৰপৰা ওলাইছোঁ। যি কি নহওক—এতিয়া যদি আমি তোমাৰ কিবা উপকাৰ কৰিব পাৰোঁ, ভাল পাম।"

মগনে ক'লে, "শিৱানন্দই বাধা নিদিয়াহেঁতেন তুমি সিদিনাই মৰিলাহেঁতেন। শিৱানন্দৰ মহত্ত্বৰ তুলনা নাই।"

পমিলীয়ে ক'লে, "ৰজাৰ দৰে আপুনিও দেখোন শিৱানন্দৰ শলাগহে লৈছে!"

পমিলীৰ এই কথাৰ উত্তৰত জগনে যি ক'লে, তাৰ সাৰমৰ্ম হ'ল: এসময়ত জমিদাৰ ভূপতি চৌধাৰী ডাঙৰীয়া কঠিন অসুখত শয্যাশায়ী হৈ পৰিল। তেওঁৰ পত্নী বহু আগতে ঢুকাইছিল। তেতিয়া পমিলী পাঁচবছৰীয়া। জমিদাৰ ডাঙৰীয়াই তেওঁৰো মৃত্যু চমু চপাৰ আভাস পাই তেওঁৰ বিশাল সা-সম্পত্তিৰ চোৱা-চিতাৰ দায়িত্ব জগন আৰু মগনৰ ওপৰতে দিছিল। আৰু এই কঠিন দায়িত্ব দিয়াৰ কিছুদিনৰ পাছত তেওঁ ঢুকাইছিল।

জমিদাৰৰ মৃত্যুৰ পাছত জগন সপৰিয়ালে জমিদাৰৰ ঘৰতে নিগাজী হৈ বহিল। জগনৰ লগত মগনো আহিল। আৰু তাৰ পাছত সিহঁত দুয়ো চেষ্টা কৰি থাকিল পমিলীক হত্যা কৰাৰ। কিন্তু হত্যা এনেকৈ কৰিব লাগিব—যাতে তাইৰ স্বাভাৱিক মৃত্যু হোৱা বুলি মানুহে ভাবিব। গতিকে—সিহঁতে অতি সূক্ষ্মভাৱে এই হত্যাৰ আঁচনি কৰিলে। এই হত্যা নিখুঁত-ভাৱে কৰিব পাৰিলেই—ইমান বিৰাট সা-সম্পদ সিহঁতৰ হ'ব। মগন আছিল জমিদাৰৰ গোমস্তা। মগন গোমস্তাই জগনক এই হত্যা পৰিকল্পনাত সৰ্বতো-প্ৰকাৰে সহযোগিতা কৰাৰ আশ্বাস দিলে।

কিন্তু জগন-মগনৰ চাল-চলনত শিৱা-নন্দৰ মনত চোভা হ'ল। শিৱানন্দই পমিলীক সততে সতৰ্কতাৰে চোৱা-চিতা কৰি থাকিল।

এনেতে এদিন সেই অঞ্চলৰ ৰজা শ্ৰীশ্ৰীবৰ্ধন পমিলীহঁতৰ ঘৰলৈ গ'ল। জমিদাৰ ডাঙৰীয়া আছিল ৰজাৰ পৰম স্নেহৰ পাত্ৰ। ৰজা অহাৰ কথা শুনি, জগনৰ পৰিবাৰে পমিলীক ভালকৈ খুৱাই-বুৱাই, সজাই-পৰাই দিলে। ৰজাই পমিলীক সুধিলেহি, "আই পমিলী, ভালে আছা নহয়? তোমাক চোৱা-চিতা কৰিবলৈ তোমাৰ দেউতাৰাই যি দুজনৰ ওপৰত দায়িত্ব দিছিল, তেওঁলোকে তোমাক ঠিকমতে চোৱা-চিতা কৰিছেনে?"

অলপ আঁতৰত জগনৰ পৰিবাৰে পমিলীৰ পিনে টঁ টঁকৈ চাই আছিল। কিন্তু তথাপি পমিলীয়ে ৰজাক ক'লে, "নাই কৰা। আনকি মোক ঠিকমতে খাবলৈকো নিদিয়ে। আপুনি আহিব বুলি শুনাৰ পাছত আজিহে মোক ভালকৈ খুৱাই-বুৱাই সজাই-পৰাই থৈছে।"

ৰজা শ্ৰীবৰ্ধনে জগন-মগনক ককৰ্থনা কৰি গুচি গ'ল।

সেই নিশা জগনৰ পৰিবাৰে পমিলীক



এটা বাকচত জোৰ-জুলুম কৰি ভৰাই থ'লে, আৰু বাকচটোৰ ভিতৰতে গুলুম বন্ধা ধোঁৱাৰে উশাহ বন্ধ কৰি তাইক হত্যা কৰাৰ চক্ৰান্ত কৰিলে।

ধলপুৰাতে শিৱানন্দই পমিলীক এই বাকচটোৰ ভিতৰত অচেতন অৱস্থাত দেখা পাই সকলো কথা ফটফটীয়াকৈ বুজি পোৱা হ'ল। শিৱানন্দই তৎক্ষণাৎ পমিলীৰ চেতনা ঘূৰাই আনিলে। পমিলীয়ে শিৱানন্দক ক'লে "মোক ইয়াৰপৰা লৈ যাওক, ইহঁতে মোক ইয়াত মাৰি পেলাব।"

জগনে শিৱানন্দক ক'লে, "পমিলীৰ বেমাৰ হ'ল। তুমি আমাৰ চিত্ৰগুপ্ত বেজৰপৰা দৰব লৈ আহাঁগৈ। বেজ চিত্ৰগুপ্তই পমিলীক চাই গ'ল, তেওঁ তোমাক তেওঁৰ ওচৰলৈ পঠাবলৈ কৈ গৈছে দৰব আনিবলৈ। খৰকৈ যোৱা।"

শিৱানন্দ চিত্ৰগুপ্ত বেজৰ ওচৰলৈ গ'ল, দৰবো ল'লে কিন্তু দৰব লৈ উভতি আহোঁতে তাৰ মনত সন্দেহই উক দিয়াত সি চিত্ৰগুপ্তৰ দৰবখিনি নলাত পেলাই দিলে আৰু তাৰ সলনি সৰু সৰু তাল-মিছিৰি কেইখুটুৰামান দৰবৰ পুৰিয়া হিচাপে লৈ উভতি আহিল।

জগন-মগনে তাল মিছিৰিৰ এই টুকুৰাবিলাককে দৰবৰ বৰি বুলি ভাবি পমিলীক সাত দিন ধৰি খুৱালে। কিন্তু তথাপি পমিলী নমৰা দেখি হতবাক হ'ল।

তাৰ পাছত সিহঁতে পমিলীক খতম কৰাৰ বাবে এটা তান্ত্ৰিকৰো সহায় লৈছিল। কিন্তু তথাপি পমিলী নমৰিল।

পমিলীক যেনেতেনে হত্যা কৰাৰ কথা বুজি পাই শিৱানন্দই এনিশা পমিলীক পলুৱাই লৈ গ'ল। পাছদিনা যেতিয়া পমিলীক তাত পোৱা নগ'ল, তেতিয়া—এয়া জগন আৰু মগনৰ চক্ৰান্ত বুলি ৰাইজে কোৱাকুই কৰিবলৈ ধৰিলে। জগন-মগনেও তন্ন তন্নকৈ বিচাৰিও পমিলীক উলিয়াব নোৱাৰি হতাশ আৰু

ভীত হৈ পৰিল। আৰু—পমিলীক যেতিয়া একোপধ্যেই বিচাৰি পোৱা নগ'ল, তেতিয়া গাঁৱৰ ৰাইজে সেই অঞ্চলৰ ৰজা শ্ৰীবৰ্ধনক কথাটো ক'লেগৈ।

ৰাইজৰপৰা অভিযোগ পাই ৰজাই জগন-মগন আৰু জগনৰ পৰিবাৰকো ফাটেকত ভৰাই থ'লে।

আৰু এইবোৰ ঘটনাৰ কিছুদিনৰ অন্তত পমিলীক লগত লৈ শিৱানন্দ ৰজাৰ ওচৰলৈ গ'ল।

শিৱানন্দই ৰজাক ক'লে, "মহাৰাজ! পমিলীক মই মোৰ ঘৰলৈ লৈ গৈছিলোঁ, মোৰ ঘৰতে লুকাই থৈছিলোঁ। নহ'লে—পমিলীক চক্ৰান্তকাৰীহঁতে হত্যা কৰিলেহেঁতেন। মোৰ যদি অপৰাধ হৈছে, দণ্ড দিয়ক, মূৰ পাতি ল'ম মই।"

ৰজাই শিৱানন্দৰপৰা সকলো ঘটনা আনুপূৰ্বিক শুনাৰ অন্তত শিৱানন্দক ক'লে, পমিলীৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব ল'বলৈ। শিৱানন্দই ৰজাৰ প্ৰস্তাৱত সন্মত নহ'ল। শিৱানন্দই ৰজাক ক'লে, "মোৰ দৰে সাধাৰণ মানুহ এটাই পমিলীক ৰক্ষা কৰিব নোৱাৰিব, মহাৰাজ! আপুনি নিজেই এই দায়িত্ব লওক।"

ৰজাই শিৱানন্দক পমিলীক চোৱা-চিতাৰ বাবে আইনগত ক্ষমতা দিলে।

জগনৰপৰা এইবোৰ কথা শুনাৰ অন্তত পমিলীয়ে ক'লে, "এই সত্য ঘটনা নাজানি এই মহৎপ্ৰাণ শিৱানন্দক তুচ্ছ-জ্ঞান কৰিছিলোঁ। মোৰ এই অন্যায়ৰ প্ৰায়শ্চিত্ত ক'ত?"

মগনে পমিলীক সুধিলে, "তেনেহ'লে—এতিয়া তুমি কি কৰিবা, আই?"

"মই—আমাৰ মহাৰাজে কোৱা মতে কাম কৰিম। মহাৰাজক আপোনালোকে কওকগৈ, মই শিৱানন্দৰ পুত্ৰকে দৰা হিচাপে মানি ল'ম।"

তিমানতে বৰষুণ বন্ধ হৈছিল।

দামত বছা দৰা

দেশৰ নাম চন্দনদেশ, ৰজাৰ নাম চন্দনবৰ্মা, আৰু একমাত্ৰ জীয়েকৰ নাম আছিল দামিনী। তিনি বছৰীয়াতে দামিনী মাতৃহীনা হ'ল। ৰজাই আৰু বিয়া নকৰালে। তেওঁ হৈ উঠিল দামিনীৰ পিতৃ-মাতৃ দুয়ো।

এদিন ৰজা নন্দনবৰ্মাদেৱে পুত্ৰী দামিনীক ক'লে, "দামিনী, এয়া চোৱা, বিভিন্ন দেশৰ ৰাজকোঁৱৰৰ ছবি। কেৱল ছবিয়েই নহয়, এইবোৰ সাঁচিপাতত সিহঁতৰ পৰিচয়ো লিখা আছে। তুমি এইবোৰ পঢ়ি, ছবি চাই, চিন্তি, যিজনক বাছি উলিয়াবা, সেইজনৰ সৈতে তোমাৰ বিবাহ পাতিম। মনত ৰাখিবা, তুমি যিজনক পছন্দ কৰি বাছি উলিয়াবা, পতিৰূপে বৰণ কৰি ল'বা, সেইজন কেৱল তোমাৰ পতিয়েই নহ'ব, সেইজন হ'ব এই দেশখনৰো ভৱিষ্যৎ ৰজা।"

দামিনীয়ে সেই সাঁচিপাতৰ লিখাবোৰ পঢ়ি পৰীক্ষা কৰি চালে, ছবিবোৰ ভালকৈ নিৰীক্ষণ কৰিলে, আৰু তাৰ পাছত পিতৃক ক'লে, "দেউতা, মোৰ স্বামী মই বাছি-বিচাৰি উলিয়াব নালাগে, সকলো ফালৰ-পৰা বিচাৰ কৰি আপুনি যিজনক যোগ্য বুলি ভাবিব, সেইজনকে মই বৰণ কৰি ল'ম; কিন্তু—তথাপি যদি মোকেই দায়িত্ব দিয়ে, মই পাত্ৰৰ গুণৰহে শলাগ ল'ম, ৰূপ-সৌন্দৰ্য্যৰ নহয়। মোৰ বাছনি বেলেগ ধৰণৰ হ'ব।"

ৰজাই সুধিলে, "তোমাৰ বাছনি কেনেধৰণৰ হ'ব, কোৱাচোন শুনো?"

"মই তোমাক গল্প এটা ক'ম। মোক

দীপিকা দত্ত

যিজনে বিয়া কৰাব বুলি ক'ব—তুমি সেইজনক এই গল্পটো ক'বা। সেই গল্পত এটা সমস্যাৰ কথা থাকিব, এটা জটিল প্ৰশ্ন থাকিব। যিজনে সেই সমস্যাৰ সমাধান কৰিব পাৰিব, সেই প্ৰশ্নৰ উত্তৰ যিজনে দিব পাৰিব, তেওঁক বিজয়ী বুলি ঘোষণা কৰা হ'ব।" এই বুলি কৈ দামিনীয়ে ক'বলৈ ধৰিলেঃ

সুপ্ৰাচীনকালত বৎসলদেশত চক্ৰসেন নামৰ এগৰাকী ৰজাই ৰাজত্ব কৰিছিল। জীয়েকৰ নাম আছিল কনকপ্ৰভা। কনক দেখাই-মেলাই আছিল অপৰূপা।

এবাৰ বৎসলদেশৰ এক মহোৎসৱত যোগদান কৰিবলৈ বৎসলদেশৰ মিত্ৰদেশ কৌণ্ডিল্যদেশৰ দেশৰ ৰজা বিশ্বম্ভৰদেৱ তালৈ আহিল। আহি—বৎসলৰাজ চক্ৰসেনৰ বৈঠকখানাৰ দেৱালত আঁকা চিত্ৰ এখনলৈ চাই অবাক বিস্ময়ত ৰজা বিশ্বম্ভৰ স্থানুৰ দৰে থিয় হৈ থাকিল। ঘটনালৈ লক্ষ্য কৰি চক্ৰসেনে বিশ্বম্ভৰদেৱক সুধিলে. "আপোনাৰ দৰে ময়ো এই ধুনীয়াৰো ধুনীয়া চিত্ৰখনলৈ বহু সময় ধৰি চাই আছিলোঁ। চিত্ৰখন প্ৰকৃততেই আকৰ্ষণীয়।"

ৰজা বিশ্বম্ভৰে ক'লে, "মই কিন্তু চিত্ৰখনৰ সৌন্দৰ্য্যলৈ সিমান মন কৰা নাই. চিত্ৰখন কোনোবা লেবেৰাহতীয়াই আঁকা বুলিহে মই ইমানকৈ লক্ষ্য কৰিছোঁ।"

এই কথা শুনি অবাক হৈ পৰা চক্ৰসেনে ক'লে, "ওহোঁ, এই চিত্ৰৰ চিত্ৰকৰজনৰ নাম মাথুৰ। মাথুৰে তাৰ সোঁ হাতেৰে এইখন চিত্ৰ আঁকা মই নিজৰ চকুৰে দেখিছিলোঁ।"

"হে বন্ধু মোৰ! মাথুৰে তোমাৰ উপস্থিতিত চিত্ৰখন সোঁহাতেৰে আঁকিলেও—তেওঁ নিশ্চয় গোটেইখন চিত্ৰ বাঁওহাতেৰে আঁকিছিল। মই নিঃসন্দেহে এই কথা কৈছোঁ।" ৰজা বিশ্বম্ভৰে দৃঢ়ভাৱে ক'লে।

"ঠিক আছে, এই বিতৰ্কৰ চয়-নিচয় এতিয়াই হৈ যাব। মই মাথুৰক মতাই

অনাম। মাথুৰে যদি বাঁওহাতেৰে অঁকা বুলি কয়, মই পৰাজয় স্বীকাৰ কৰি মোৰ দামিনীক তোমাৰ পুত্ৰৰ হাতত সঁপিম।” চক্ৰসেনে ক'লে।

ৰজা বিশ্বম্ভৰে ক'লে, “ঠিক আছে, সেয়ে হ'ব। আৰু—মই যদি পৰাজিত হওঁ তেনেহ'লে মই জীয়াই থকালৈকে তোমাৰ দেশৰ উন্নতিৰ অৰ্থে বছৰেকত পঞ্চাছ সহস্ৰ স্বৰ্ণ মুদ্ৰা তোমাক দিম।”

ৰজা চক্ৰসেনৰ আহ্বান পায়েই চিত্ৰশিল্পী মাথুৰ তংক্ষণাৎ উপস্থিত হ'লহি। চক্ৰসেনৰ প্ৰশ্ন শুনি মাথুৰে নিৰ্দ্বিধাই ক'লে যে—এই চিত্ৰখন তেওঁ বাঁওহাতেৰে অঁকা চিত্ৰ—এই কথা সম্পূৰ্ণ সত্য।

মাথুৰক বিদায় দিয়াৰ পাছত ৰজা চক্ৰসেনে ৰজা বিশ্বম্ভৰক ক'লে, “আমাৰ সম্পৰ্ক নিশ্চয় অটুট থাকিল। তেনেহ'লে —যিমান সোনকালে সম্ভৱ বিবাহৰ লগন স্থিৰ কৰা হওক।” ৰজা বিশ্বম্ভৰে সানন্দে সম্মতিপ্ৰদান কৰিলে, চক্ৰসেনৰ প্ৰস্তাৱত।

বিশ্বম্ভৰে যিদিনা যিসময়ত সম্মতি প্ৰদান কৰিলে, ঠিক সেইদিনা সেই সময়তে ৰাজকুঁৱৰী কনকপ্ৰভাৰ মাতৃ মহাৰাণী ইন্দুমতীয়ে তেওঁৰ এগৰাকী আত্মীয়ৰ ঘৰৰপৰা উভতি আহোঁতে কেইটামান ডকাইতে তেওঁৰ দোলা আটক কৰিলে। এই কথাত দোলাভাৰীহঁতৰ ডকাইতবিলাকৰ সৈতে মাৰ-পিট আৰম্ভ হ'ল আৰু কথাটো বায়ুবেগে প্ৰচাৰিত হ'ল। গাঁৱৰ ৰাইজ দলে দলে ঢপলিয়াই আহিল। ডকাইতবিলাকে গাঁওবাসীকো আক্ৰমণ কৰিলে। ডকাইতবিলাকৰ আক্ৰমণৰ ফলত গাঁৱৰ ৰাইজ ফৰিংছিটিকা দিলে। কিন্তু এজন অতি সাহিয়াল-পাহুৱাল যুৱকে ডকাইতবিলাকক এনেকৈ প্ৰতি আক্ৰমণ কৰিলে যে—তাৰ পৰাক্ৰমৰ আগত ডকাইতবোৰে তিষ্ঠিব নোৱাৰি ফেটীসাপৰ মূৰ ছিঙা লৰ দি পলাল।

তেতিয়া মহাৰাণী ইন্দুমতীয়ে এই

যুৱকক সুধিলে, "তুমি সেই মহাসেনাপতিৰ ভনীয়েৰাৰ পুত্ৰনে? তোমাৰ সম্পৰ্কেহে জটিল প্ৰশ্নৰ উত্তৰ হ'লনে? তোমাৰ বিষয়ে বিতৰ্কৰ ধুমুহা বলিছেনে? তোমাৰ নাম কি কোৱাচোন?"

"মোৰ নাম ৰাজশেখৰ। মই সেনাপতি ত্ৰিবিক্ৰমৰ আত্মীয়।" যুৱকে ক'লে।

ইন্দুমতীয়ে ক'লে, "তুমি কাশীত অধ্যয়ন কৰিছা বুলি শুনিলোঁ। তোমাৰ অধ্যয়ন সমাপ্ত হ'লনে?"

"হয়, সমাপ্ত হ'ল। মই এমাহৰ আগতে কাশীৰপৰা উভতি আহিছোঁ।"

"তুমি যে মোক বিৰাট বিপদৰপৰা ৰক্ষা কৰিলা, তাৰ বাবে মই তোমাৰ ওচৰত ঋণী হৈ ৰ'লোঁ। এই ঋণ পৰিশোধ কৰিবপৰা এটি সামগ্ৰী মোৰ ওচৰত আছে। সেই সামগ্ৰী তোমাক প্ৰদান কৰি মই ঋণমুক্ত হ'ম।" এই বুলি কোৱাৰ অন্তত মহাৰাণী ইন্দুমতী তাৰপৰা গুচি গ'ল।

মহাৰাণীয়ে যে তেওঁৰ কন্যা কনকপ্ৰভাক তাৰ হাতত অৰ্পণ কৰিব, ৰাজশেখৰে সেই কথাটো নুবুজাকৈ নাথাকিল।

ইপিনে—তাইৰ বিবাহৰ আয়োজন যে চলি আছে, সেই কথাটো ৰাজকুঁৱৰী কনকপ্ৰভায়ো বুজি পালে। তেতিয়া তাই উদ্যানত পায়চাৰি কৰি আছিল। সখিয়েকহঁতৰ অনুৰোধত তাই এটি গীত গাই গাই সেই উদ্যানত ফুৰি আছিল।



আৰু ঠিক তেতিয়াই আকাশপথেদি গৈ থকা এক গন্ধৰ্বই ৰাজকুঁৱৰী কনকপ্ৰভাৰ ৰূপ-লাৱণ্য দেখি, বিমুগ্ধ হৈ, তৎক্ষণাৎ মৰ্ত্যভূমিলৈ, তথা ৰাজকুঁৱৰী কনকপ্ৰভাই ফুৰি থকা ফুলনিলৈ পোনে পোনেই নামি আহিল।

ৰাজকুঁৱৰী কনকপ্ৰভাই অবাক দৃষ্টি মেলি গন্ধৰ্বৰ পিনে চাই ৰ'ল। ৰাজকুঁৱৰীৰ এই বিমুগ্ধ অৱস্থালৈ মন কৰি সখিকেইজনীও তাৰপৰা আঁতৰ হ'ল।

এই গন্ধৰ্বৰ নাম আছিল বৰুণ। বৰুণে কনকপ্ৰভাক ক'লে, "মই আকাশপথেদি গৈ থাকোঁতে তোমাৰ অতুলনীয় ৰূপ-লাৱণ্য দেখা পাই ইয়ালৈ নামি আহিবলৈ বাধ্য হৈছোঁ। মই কিন্তু মানুহ নহওঁ, মই এজন গন্ধৰ্ব। তোমাৰ যদি সন্মতি আছে, মই তোমাক বিবাহ কৰাম।"

গন্ধৰ্বৰ কথা শুনি ৰাজকুঁৱৰী বিভ্ৰান্ত হৈ পৰিল। এই কথাৰ উত্তৰত যে কি ক'ব ভাবি উলিয়াব নোৱাৰিলে। অলপ পৰলৈ নিমাতে থকাৰ পাছত ৰাজকুঁৱৰীয়ে গন্ধৰ্ব বৰুণক ক'লে, "বিবাহৰ বিষয়ে মোৰ পক্ষে কোনো মতামত প্ৰদান কৰা সম্ভৱ নহয়। আপুনি মোৰ পিতৃ-মাতৃক কওকগৈ। তেওঁলোকৰ মতামতেই মোৰো মতামত। তেওঁলোকক নোকোৱা-নেমেলাকৈ, তেওঁলোকৰ সুস্পষ্ট মতামত নজনাকৈ, মই এই বিষয়ে 'হয়' বা 'নহয়' একোকে ক'ব নোৱাৰিম। তেওঁলোকৰ সন্মতি বিনে কোনো গন্ধৰ্বক, বা কোনো মানুহকো মোৰ পক্ষে বিবাহ কৰোৱা সম্ভৱ নহয়। এই বাবে মোৰ যদি কিবা অপৰাধ হৈছে, মৰিষণ কৰিব।"

ৰাজকুঁৱৰী কনকপ্ৰভাৰ এই কথা শুনি গন্ধৰ্ব বৰুণে মিঠাকৈ হাঁহি মাৰি ক'লে, "হে ৰাজকুঁৱৰী, মই কালিলৈ পুনৰ আহিম।" তাৰ পাছত বৰুণ হঠাৎ অহাৰ দৰে হঠাৎ গুচি গ'ল। [অহা সংখ্যাত অন্ত]

ধনৰ ব্যৱহাৰ

সাধু বিমলানন্দ সশিষ্য তীৰ্থলৈ ওলাল। বিভিন্ন তীৰ্থ ভ্ৰমি ৰংপুৰ পালেহি। ৰংপুৰ আছিল এখন সাধাৰণ গাঁও। এই গাঁৱৰ আটাইতকৈ ধনী মানুহ আছিল ললিত। ললিতে সাধুৰ আৰু লগতে তেওঁৰ শিষ্যহঁতৰো খোৱা-থকাৰ সুবন্দৰস্ত কৰিলে আৰু প্ৰতিজনৰ সা-সুবিধালৈ নিজেই উপস্থিত থাকি সুন্দৰভাৱে তদাৰকী কৰিলে।

কেইদিনমান এই গাঁৱত অতিবাহিত কৰাৰ পাছত সশিষ্য সাধু বিমলানন্দ এই গাঁও এৰি গুচি যাবলৈ যো-জা কৰি থাকিল। বিমলানন্দই গাঁৱৰ অধিবাসী সকললৈ হিয়াভৰা আশীৰ্বাদ দিলে। ললিতক আশীৰ্বাদ কৰি সাধুৱে ক'লে, "বোপা, তুমি ধনী হোৱা সত্বেও নিৰহংকাৰ। মোক তুমি যেনেকৈ সেৱা কৰিছা, তেনেকৈ আন কাৰোবাক সেৱা কৰিছিলানে?"

ললিতে লালিত্যৰে ক'লে, "প্ৰভু, আপোনাৰ নিচিনা সজ্জনক সেৱা কৰাৰ সুযোগ কেইজনে পায়? হে প্ৰভু! ধনেই তো ধৰ্মৰ মূল নহয়।"

এই উত্তৰ শুনি বিমলানন্দই বৰ ভাল পালে। সাধুৱে ললিতক পুনৰ আশীৰ্বাদ কৰিবলৈ ধৰোঁতেই মঙ্গল নামৰ গাঁওবাসী এজনে কৈ উঠিল, "প্ৰভু, মোৰ মনত এটা প্ৰশ্নই ভুমুকা-ভুমুকি কৰিব ধৰিছে। মোৰ প্ৰশ্নটো হ'ল—ধনৰ প্ৰসংগ সদায় আলোচনা কৰা উচিতনে?"

বিমলানন্দই ক'লে, "চোৱা—সঁচা যি সঁচা সি। আৰু মিছা কথা যে সিঁচা পানীৰ সমান—জানাই। সেয়েহে, কোনো বিষয়ৰ 'শেষ কথা' বোলা কথা নাই।"

মধু মহন্ত

মঙ্গলে সাধু বিমলানন্দক ক'লে, "চাওক, মোৰ পৰিয়ালখন মস্ত ডাঙৰ। পুৱাৰপৰা দুপৰ ৰাতিলৈকে খাটিও আটাই-বোৰৰ পেট ভৰাব নোৱাৰোঁ। গাঁৱত মোৰ নিচিনা দুখীয়াৰ সংখ্যায়েই বেছি। এতেকে—ধনেই ধৰ্মৰ মূল নহয় বুলি আমি কেনেকৈ মানি লওঁ? তেওঁৰ ধন আছে বুলিহে চাগে' তেনেকে' ক'ব পাৰিছে। আমিও পাৰিম তেনেকে' ক'ব—পিছে—আগতে ললিত হৈ ল'ব লাগিব।"

এই কথাত ভক্তহঁত গিৰ্জনি মাৰি হাঁহি উঠিল। লাজ পাই ললিত তলমূৰ হ'ল।

তেতিয়া সাধু বিমলানন্দই কলে, "বোপাহঁত, মঙ্গলৰ প্ৰশ্নৰ গভীৰ তাৎপৰ্য্য আছে। আচলতে মঙ্গলৰ বক্তব্য হ'ল যে—ললিতৰ নিচিনা ধনিকহঁতে যদি আমাৰদৰে সাধু-সন্ন্যাসীৰ কাৰণে ইমান ধামধুমকৈ খৰচ নকৰি দুখীয়াহঁতৰ কাৰণে কৰে—তেনেহ'লে দহোৰাইজৰ, আৰু লগতে দেশখনৰো উপকাৰ কৰা হ'ব।"

তেতিয়া সাধু বিমলানন্দই ললিতক ক'লে "বোপা, সেই যে তুমি ক'লা—ধনেই ধৰ্মৰ মূল নহয়, মই কথাষাৰ আখৰে আখৰে বিশ্বাস কৰোঁ। পিছে—ধন তেতিয়া ধৰ্মৰো মূল হ'ব, যেতিয়া সেই ধনেৰে ধৰ্ম—অৰ্থাৎ মানৱধৰ্ম, তথা মানুহৰ মংগলজনক ধৰ্ম পালন কৰা হ'ব। ইমান দিন ধৰি মই মোৰ ধনিক শিষ্য-সকলক এইষাৰ কথা কোৱা নাছিলোঁ, আনকি কোৱাৰ কথা মোৰ মনতো পৰা নাছিল। আজি মঙ্গলৰপৰাহে এই মঙ্গলময় কথাষাৰ শিকিলোঁ। যে—দুঃখী লোকৰ দুখ গুচাবলৈ যদি ধনৰ ব্যৱহাৰ কৰা নহয়, সেই ধন ধৰ্মৰো মূল নহয়। ধৰ্ম-ৰক্ষাৰ্থে ধনৰ সদ্ব্যৱহাৰ কৰিব লাগে।"

এই ঘটনাৰ পাছৰপৰা ধনী ললিতে মানৱধৰ্মৰ কাৰণে অকাতৰে ধনব্যয় কৰি 'ধৰ্মৰক্ষক' আখ্যাৰে ভূষিত হৈছিল।




জুলীয়া...
আৰ্কটিক সাগৰত বৰফৰ দ'ম গল্‌ফ প্ৰবাহ পৰাৰ তিনি সপ্তাহৰ ভিতৰত গলি জল হৈ পৰে।
সুনামী...!
ভূইকঁপৰ ফলত বানপানী হ'লে সেই বানপানীক 'সুনামী' বুলি কোৱা হয়। ১৯৭১ চনৰ ঈষীগাহী দ্বীপত আটাইতকৈ ডাঙৰ 'সুনামী' হৈছিল। এই বানপানীৰ পানী ২৭৮ ফুট উচ্চতালৈ উঠিছিলগৈ।
তালৰ তলা পোৱা...
পৃথিৱীত ২৮০০ বিধৰ তালগছ আছে। তালগছ সাধাৰণতঃ গ্ৰীষ্মপ্ৰধান অঞ্চলতে পৰিলক্ষিত হয়! ২৮০০ বিধৰ তালগছৰ মাজত ইঅ'ৰোপত মাত্ৰ ২ বিধৰহে ওপজে!

Also available
- Omega Glory
- Omega Liba
- Omega World Tim

Winner of Top
PLEXCONCIL
EXPORT AWARD–
1978-79-80-
81-82-83-84-85

Omega– The ultimate in quality

Allied Instruments Pvt. Ltd.,
30-CD Government Industrial Estate
Kandivli (West), Bombay-400 067.
Phone: 692425 • 685068 • 696721 • 697188
Telex:011-73369 AIPL •Cable ARTCORNER

Distributors : GREATER BOMBAY : **D. Jagjivandas & Company**, 177, Abdul Rehman Street, Bombay-400 003. Ph.: 326524 MAHARASHTRA : **A. Aalok & Company**, 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay-400 015. Ph.: 4133295/4133215 GUJARAT : **N. Chimanlal & C**... 'Jesmin' Building, Near Firdaus Flats, Khanpur, Ahmedabad 380 001. Ph.: 395198/399570 DELHI, HARYANA PUNJAB, J.K. & HIMACHAL PRADESH : **Bharat Traders**, 89, Chawri Bazar, Delhi-110 006. Ph.: 262854 KARNATAKA ANDHRA PRADESH & GOA : **Sanghvi Corporation**, Suresh Bldg., No. 17, 4th Cross, Kalasipalayam, New Extension, Bangalore 560 002. Ph.: 225702. CALCUTTA & WEST BENGAL : **Sanghvi Corporation**, 14/1/1A, Jackson Lane, 2nd Floor, Calcutta-700 001. Ph.: 262141 UTTAR PRADESH : **Sanghvi Corporation**, 7-A, Balmiki Marg, Kaisar Bagh, Lucknow-(U.P.) Ph.: 48301.
TAMIL NADU : **Sanghvi Corporation**, Bafna Complex, 1st Floor, 35, Strotten Muthia Mudaliar Street, Madras-600 079. Ph.: 22304.
REST OF INDIA : **Sanghvi Corporation**, 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay-400 015. Ph.: 4133295/4133215

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৮ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নাম দিওঁতাক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : হাঁহে হাঁহে অমল হাঁহি   দ্বিতীয় ফটো : হাঁহে ধৱল পদুম পাহি

পুৰস্কাৰ প্ৰাপক : দিলীপ বৰুৱা ওদালগুৰি দৰং অসম।
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

বিনামূল্যে!
মেগী ফান বুক!
মাত্র ২টা খালি মেগী নুডলছ পেকৰ বিনিময়ত।
আপোনাৰ নিকটতম ডীলাৰৰ লগত যোগাযোগ কৰক নাইবা তলৰ ঠিকনাত লিখক—
মেগী ফান বুক
পোষ্ট বেগ-৯
নিউ দিল্লী-১১০০০১
Look out for the FUN WORLD CONTEST inside!
MAGGI
FUN BOOK
Join the MAGGI club! Details inside...
ৰং তামাচা আৰু খেল, মেগী ক্লাব, সাথৰ... আৰু বহুতো!
MAGGI 2-Minute noodles with MASALA TasteMaker inside 100% VEGETARIAN
Fast to cook! Good to eat!
SUGGESTED GARNISHING
মোৰ নাম
মোৰ সম্পূৰ্ণ ঠিকনা
MAGGI 2-minute noodles
ৰন্ধনত খৰতকীয়া! খাবলৈ অপূৰ্ব

মধুৰ ক্ষণৰ
সুমধুৰ
লগৰী...
nutrine Chocolate Eclairs
...ঘন
ক্ৰীম সদৃশ
চকোলেট
এক্লেয়াৰ্চ
নিউট্ৰিন
স্বাভাৱিকতে!
অধিক গাখীৰ। অধিক মাখন।
অধিক চকোলেট।
Ask for
nutrine
Chocolate
Eclairs
nutrine

চুপি খাওক, চেলেকি খাওক, ফেটি লৈ খাওক, গোটে গোটে খাওক...

...বা ঢোক ঢোক কৈ খাওক

এইবাৰ ৰসনাই আগবঢ়াইছে সাধাৰণ চফট ড্ৰিঙ্ক ফুৰ্তিতকৈ অধিক আনন্দ। শাহী গুলাব, কুল খচ, কেশৰ এলাইচি, মেঙ্গো ৰাইপ। চাৰিবিটিৰ প্ৰিমিয়াম সুবাসত। ফেনাই থকা মিল্কশ্বেক, তৃপ্তিদায়ক আইচক্ৰীম অন্তৰ শাঁত পেলোৱা লাচীৰ বাবে। আৰু জহৰ দিনৰ তৃষ্ণা দূৰ কৰাৰ বাবে সঁচাই অনুপম।

ৰসনাৰ প্ৰিমিয়াম চাৰিবিটিৰ সোৱাদ লৈ চাওক। সোৱাদৰ আনন্দত উটি ভাঁহি যাওক।

ৰসনা প্ৰিমিয়াম সুবাস

- শাহী গুলাব
- কুল খচ
- কেশৰ এলাইচি
- মেঙ্গো ৰাইপ

আই লাভ ইউ ৰসনা

ৰসনা

ভাৰতৰ · সৰ্বাধিক · বিক্ৰী · হোৱা
চফট · ড্ৰিঙ্ক · কনচেনট্ৰেট